It's time to do,
Not to think...

Plant some trees
To save the world

জন হিতার্থে প্রচাৰিত

সাপ্তাহিক মৰিগাঁও

SAPTAHIK MORIGAON

A WEEKLY NEWS PAPER PUBLISHED FROM MORIGAON, ASSAM

মৰিগাঁৱৰ পৰা প্ৰকাশিত সাপ্তাহিক বাতৰি কাকত

বছৰ-৩০, সংখ্যা-৯, ২৪-ছেপ্টেম্বৰ, ২০২৬, বৃহস্পতিবাৰ, মূল্য-২.০০ টকা

Voll-30, No. 9, 24- September, 2026,Thursday, RNI No.67320/97, Price-2.00

মৰিগাঁৱত অসম সাহিত্য সভাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে জুবিন দিৱস উদ্‌যাপন



।। **বিশেষ সেৱা**।। অসম সাহিত্য সভাৰ সংগীতসুধাকৰ অভিধাপ্ৰাপক সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ প্ৰথম বৰ্ষপুতিটো অসম সাহিত্য সভাৰ উদ্যোগত অলপতে মৰিগাঁৱত কেন্দ্ৰীয়ভাৱে জুবিন দিৱস হিচাপে উদ্‌যাপন কৰা হয়। মৰিগাঁও জিলা সাহিত্য সভাৰ সহযোগত আৰু মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ আতিথ্যত মৰিগাঁও চহৰৰ গান্ধী ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত এই জুবিন দিৱসৰ লগত সংগতি ৰাখি দুপৰীয়াৰ ভাগত এখনি স্মৃতি সভা আৰু এটি সংগীতানুষ্ঠান অনুষ্ঠিত কৰা হয়।এই অনুষ্ঠানটোত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে।ইয়াৰ পিছতে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাৰ সভাপতিত্বত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। ● (২পৃষ্ঠাত)

মানুহৰ জীৱনৰ ওপৰত AI ৰ প্ৰভাৱ

।। **নীলাঞ্জনা শৰ্মা বৰুৱা**।।

বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰে দিনে প্ৰতিদিনে দেশখনক প্ৰগতিৰ দিশে আগুৱাই লৈ গৈ আছে। বিজ্ঞানৰ উন্নতিয়ে মানুহৰ জীৱনটো ● (২পৃষ্ঠাত)

মৰিগাঁৱত বিশ্ব ৰোগী সুৰক্ষা দিৱস উপলক্ষে ভূৰবন্ধা আদৰ্শ চিকিৎসালয়ত সজাগতামূলক কাৰ্যসূচী

।। **বিশেষ সেৱা**।। বিশ্ব ৰোগী সুৰক্ষা দিৱস উপলক্ষে আজি ভূৰবন্ধা আদৰ্শ চিকিৎসালয়ত বিভিন্ন সজাগতামূলক, স্বাস্থ্য-শিক্ষামূলক আৰু স্বাস্থ্য পৰীক্ষামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে নৰজাতকৰ বিপদ সংকেতসমূহ আগতীয়াকৈ চিনাক্ত কৰাৰ ● (২পৃষ্ঠাত)



মৰিগাঁৱত প্ৰাক্তন সাংসদ, জ্যেষ্ঠ কংগ্ৰেছ নেতা আব্দুল খালেকৰ বিস্ফোৰণ

।। **বিশেষ সেৱা**।। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ মাজত আৰম্ভ হ'বলৈ ধৰিছে তীব্ৰ আক্ৰমণ আৰু প্ৰত্যাক্ৰমৰ যুঁজ। সংখ্যালঘু ভোটাৰে প্ৰাৰ্থী সকলৰ জয়-পৰাজয় নিৰ্ণয় কৰিব লগীয়া সমষ্টিটোত প্ৰতিটো ৰাজনৈতিক দলে সংখ্যালঘু ভোটাৰৰ মন জয় কৰিবলৈ বিভিন্ন পন্থা অৱলম্বন কৰাৰ সময়তে অলপতে প্ৰাক্তন সাংসদ তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা আব্দুল খালেকে মৰিগাঁও জিলাৰ কংগ্ৰেছ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি শাসকীয় বিজেপি দলক তীব্ৰ সমালোচনা কৰাৰ লগতে কেতবোৰ বিস্ফোৰণ ঘটাই। তেওঁ কয় ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্যৰ বিজেপি ● (৩পৃষ্ঠাত)

বসন্ত কুমাৰ নাথৰ গ্ৰন্থ এৰাবাটত এভুমুকি-জনকণ্ঠ-২ গীত উন্মোচন

।। **বিশেষ সেৱা**।। মৰিগাঁৱৰ লেখক গীতিকাৰ বসন্ত কুমাৰ নাথৰ গ্ৰন্থ 'এৰাবাটত এভুমুকি' আৰু 'জনকণ্ঠ-২' গীতটো অলপতে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰেক্ষাগৃহত উন্মোচন কৰা হয়। সাহিত্য সংস্কৃতি মূলক অনুষ্ঠান 'শব্দকল্প'ৰ উদ্যোগত অনুষ্ঠিত হোৱা সভাখনত সভাপতিত্ব কৰে শব্দকল্পৰ ● (৩পৃষ্ঠাত)

শিক্ষাৰ মন্দিৰ ঃ অস্তিত্বৰ যুঁজ



প্ৰেম বৈষ্ণৱ, ৯৮৫৪৪৫০৫৮২

শিক্ষা কেৱল সাক্ষৰতাৰ মাধ্যম নহয়, শিক্ষা হ'ল এখন দেশৰ বৌদ্ধিক আৰু সামাজিক ভেটিৰ প্ৰাণশক্তি। এটা সবল আৰু প্ৰগতিশীল জাতি নিৰ্মাণৰ মূল চাবিকাঠি নিহিত হৈ আছে শিক্ষা ব্যৱস্থাৰ মানৰ ওপৰত। মানুহৰ বৌদ্ধিক উত্তৰণৰ বাবে আমাৰ দেশৰ চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ এক দীঘলীয়া আৰু গৌৰৱোজ্জ্বল ইতিহাস আছে। স্বাধীনতাৰ পৰৱৰ্তী কালছোৱাৰ পৰা বৰ্তমানলৈকে সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকক জ্ঞানৰ পোহৰ বিলাই আহিছে এই চৰকাৰী বিদ্যালয়সমূহেই। বৰ্তমানৰ বিশিষ্ট চিন্তাবিদ, চিকিৎসক, অভিযন্তা আৰু সমাজকৰ্মীসকলৰ সৰহভাগেই এই বিদ্যালয়সমূহৰ মজিয়াৰ পৰাই গঢ় লৈ উঠিছে। কিন্তু বৰ্তমান সময়ত চৰকাৰী বিদ্যালয়সমূহৰ শৈক্ষিক ধাৰাটোৰ পৰিৱৰ্তিত পৰিস্থিতিয়ে আমাক নতুনকৈ চিন্তা কৰিবলৈ বাধ্য কৰিছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ভাৰসাম্য ৰক্ষাৰ বাবে লোৱা একত্ৰীকৰণৰ দৰে পদক্ষেপসমূহৰ মাজত শিক্ষাৰ মান আৰু সৰ্বজনীনতা ৰক্ষা কৰাটো এক প্ৰধান লক্ষ্য হোৱা উচিত। শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ মূল কেন্দ্ৰবিন্দু এই বিদ্যালয়সমূহক সুৰক্ষা প্ৰদান কৰি সেইসমূহক এক আধুনিক ৰূপত সজাই তোলাটো আমাৰ সমাজৰ প্ৰতিজন সচেতন নাগৰিকৰে ● (৩পৃষ্ঠাত)

মৰিগাঁৱত অসম সাহিত্য সভাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে জুবিন দিৱস উদ্‌যাপন



(১পৃষ্ঠাৰ পৰা)● সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰিয়ে কয় ঃ জুবিন গাৰ্গ কেৱল এগৰাকী গায়ক বা অভিনেতা নাছিল; তেওঁ আছিল এক অনন্য শিল্পীসত্তা, মানৱদৰদী হৃদয় আৰু জাতীয় চেতনাৰ শক্তিশালী কণ্ঠ। তেওঁৰ চিনেমা, গীত, কবিতা, বক্তব্য আৰু সাক্ষাৎকাৰত অসম, অসমীয়া মানুহ, সমাজ, প্ৰেম, বেদনা আৰু অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদৰ গভীৰ প্ৰকাশ ঘটিছে। সংগীত আৰু মানৱতাক জীৱনৰ মূল শক্তি হিচাপে লৈ তেওঁ মানুহৰ বাবে এখন সুন্দৰ আৰু ন্যায়সংগত পৃথিৱীৰ সপোন দেখিছিল। তেওঁৰ সমগ্ৰ সৃষ্টিৰাজি সংগ্ৰহ, সংৰক্ষণ আৰু অধ্যয়ন কৰি তাৰ তাৎপৰ্য বিশ্বৰ সন্মুখত দাঙি ধৰাটোৱেই হ'ব এই অনন্য শিল্পীজনলৈ এক অৰ্থৱহ শ্ৰদ্ধাঞ্জলি। তেওঁৰ সুৰ যেন চিৰযুগমীয়া অলকানন্দাৰ দৰে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বৈ থাকে-মানুহৰ বাবে, মানৱতাৰ বাবে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী, লেখক, গীতিকাৰ ৰঞ্জন কুমাৰ বেজবৰুৱা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা প্ৰমুখ্যে কেইবাগৰাকীও বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত এটি আদৰণি ভাষণ প্ৰদান কৰে মৰিগাঁও শতদল সাহিত্য সভাৰ সভাপতি পোনাদেৱী মহন্তই। ইপিনে পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে মৰিগাঁও জিলা সাহিত্য সভা সভাপতি ড° হৰমোহন কলিতাই। ইয়াৰ পিছতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ আৱক্ষমূৰ্তিত মাল্যাৰ্পণ আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি মায়াবিনী গীতেৰে প্ৰাণৰ শিল্পী সংগীতসুধাকৰ জুবিন গাৰ্গক সমূহীয়াভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। সন্ধিয়া অসম সাহিত্য সভাৰ পতাকা অৱনমনেৰে দিনযোৱা কাৰ্যসূচীৰ সামৰণি পেলোৱা হয়। ইপিনে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়টো জুবিন দিৱস উদ্‌যাপন কৰা হয়। সংস্থাৰ সভাপতি অজিত শৰ্মাই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পণ কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। সংস্থাৰ পত্ৰিকা সম্পাদক ভৰত কুমাৰ নাথে আঁতধৰা অনুষ্ঠানটোত প্ৰাক্তন সভাপতি ক্ৰমে প্ৰতাপ হাজৰিকা, মহেন্দ্ৰনাথ হাজৰিকা, বিৰিঞ্চি কুমাৰ শৰ্মা, সম্পাদক গুলজাৰিলাল শৰ্মা প্ৰমুখ্যে বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। আনহাতে জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকীত সংস্থাৰ কাৰ্যালয়তে মৰিগাঁও জিলা বিহুৱা বিহুৱতী শিল্পী সংস্থাই, মৰিগাঁও চহৰৰ পদুম পুখুৰী প্ৰাংগণত মৰিগাঁও নগৰ ব্যৱসায়ী সমাজে, সদৰ বিহুতলী প্ৰাংগণত মৰিগাঁও জিলা ছাত্ৰ সস্থা আৰু সদৰ ছাত্ৰ সস্থাই, মতিৰাম বৰা উদ্যানত মৰিগাঁও জিলা জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে জুবিন স্মৃতি দিৱস উদ্‌যাপন কৰে। ইয়াৰ উপৰিও মৰিগাঁৱৰ সমলয় নাট্য গোষ্ঠীয়ে নিজ কাৰ্যালয়ত জুবিন দিৱস উদ্‌যাপন কৰি প্ৰতিচ্ছবিত মাল্যাৰ্পণ, পুষ্পাঞ্জলি তৰ্পণৰ লগতে জুবিন গীতে-মাতে প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে।

মানুহৰ জীৱনৰ ওপৰত AI ৰ প্ৰভাৱ

(১ পৃষ্ঠাৰ পৰা)● আগৰ তুলনাত যথেষ্ট সহজ সাধ্য কৰি তুলিছে। আজি আমি আলোচনা কৰিবলৈ বাছি লোৱা বিষয়টো হ'ল AI অৰ্থাৎ artificial intelligence ।

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল তোমালোকে নিশ্চয় AI ব্যৱহাৰ কৰা। AI য়ে নিশ্চয় তোমালোকৰ বহুত সমস্যা পলকতে সমাধান কৰি দিছে নহয়নে! এখন দৰ্খাস্ত লিখাৰ পৰা আদি কৰি হোমৱৰ্ক কৰাৰ লৈকে AI য়ে তোমালোকক সহায় কৰি দিয়ে। গতিকে বৰ্তমান AI তোমালোকৰ সৰ্বশ্ৰেষ্ঠ বন্ধু বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব। কেৱল তোমালোকেই নহয় আমি ডাঙৰসকলেও নানান কামত AI ৰ সহায় লৈ অসহজ কাম কিছুমান সহজ কৰি লৈছোঁ।

AI ৰ সহায়ত পৃথিৱীৰ সকলো কামেই সম্ভৱ। সেয়েহে কিছুমান ক্ষেত্ৰত AI ৰ ব্যৱহাৰক লৈ বুদ্ধিজীৱীসকল যথেষ্ট চিন্তিত হোৱাও পৰিলক্ষিত হৈছে। AI য়ে মুহূর্ততে লিখি দিব পাৰে এটা গান অথবা এটা কবিতা। আমি মাত্ৰ AI ক এটা বিষয় দিলেই হ'ল। আজিকালি AI ব্যৱহাৰ কৰি সৃষ্টি হোৱা কবি, সাহিত্যিকে ছ'চিয়েল মিডিয়া ভৰি পৰিছে। এনেকৈ হ'লে এদিন কবি, গীতিকাৰ, সুৰকাৰ, শিক্ষক, ইঞ্জিনিয়াৰ, ডাক্তৰ, উকীল আদি কোনো নাথাকিবগৈ। সকলোৰে কামবোৰ AIৰ দ্বাৰাই সংঘটিত হ'বগৈ। এটা মাত্ৰ আদেশ দিলেই AIয়ে সকলো কৰি দিব। তেতিয়া তোমালোকৰ ভবিষ্যতটো কি হ'ব গৈ এবাৰ ভাবি চাইছানে! তোমালোকে কৰিব পৰাকৈ একো কামেই নাথাকিবগৈ ভবিষ্যতে যদিহে এতিয়াৰ পৰা এইদৰে AI ৰ ওপৰত নিৰ্ভৰশীল হৈ পৰা।

এটা কথা মনত ৰাখিবা AI ৰ নিজা একো নাই। আমি যি কও তাকেই কৰে। অৰ্থাৎ আমাৰ মগজুতকৈ শ্ৰেষ্ঠ এই পৃথিৱীত আন একো নাই। গতিকে আমি প্ৰতিটো কথাতে AI ব্যৱহাৰ কৰি নিজৰ মগজুটোৰ ধাৰ নোহোৱা কৰিব নালাগে। তোমালোকে নিজৰ জীৱনটো সহজ কৰিবলৈ গৈ নিজৰ লগতে কৰা অন্যায়খিনি আমি জেষ্ঠ হিচাপে তোমালোকক আঙুলিয়াই দিব খুজিছো বা আঙুলিয়াই দিয়াটো আমাৰ কৰ্তব্য। কাৰণ তোমালোক আমাৰ দেশৰ ভবিষ্যত নাগৰিক। আমি কেতিয়াও নিবিচাৰো যে আমাৰ ভৱিষ্যত প্ৰজন্মই নিজৰ বিবেকক পংগু কৰি AI ৰ দ্বাৰা পৰিচালিত হওঁক।

মানুহ জীৱশ্ৰেষ্ঠ প্ৰাণী। মানুহৰ মগজুতকৈ তীক্ষ্ণ বুদ্ধি সম্পন্ন কেতিয়াও এটা মেচিন বা যন্ত্ৰ হ'ব নোৱাৰে। মানুহেহে নিজৰ সুবিধাৰ্থে যন্ত্ৰক ব্যৱহাৰ কৰিব বা যন্ত্ৰক পৰিচালনা কৰিব। সহজ জীৱন এটা কামনা কৰি তোমালোক এলেহুৱা নহ'বা। কাৰণ প্ৰকৃত জীৱনত কষ্ট স্বীকাৰ নকৰাকৈ সহজতে একো লাভ কৰিব নোৱাৰি।

তোমালোকে দেখা পোৱা গেমৰ ধুনীয়া আৰু সহজ যেন লগা পৃথিৱীখনতকৈ বাস্তৱ পৃথিৱীখন বহুত বেলেগ। তোমালোকে মোবাইলৰ পৃথিৱীখনৰ পৰা ওলাই আহি তোমাৰ চৌপাশৰ মানুহবোৰৰ সৈতে কথা পাতা। তেওঁলোকৰ সুখ দুখৰ বুজ লোৱা। তেওঁলোকৰ কষ্টবোৰ অনুভৱ কৰা। জীৱনটোক ওচৰৰ পৰা চাবলৈ বা অনুভৱ কৰিবলৈ তোমালোকে কেতিয়াবা মা দেউতাৰ সৈতে হস্পিতাললৈ যোৱা বা শ্মশানলৈ যোৱা। তেতিয়া বুজি পাবা মানৱ জীৱন আৰু জীৱনৰ প্ৰতিটো পল কিমান মূল্যৱান। এই মূল্যৱান সময়খিনি তুমি মোবাইল বা লেপটপৰ সৈতে নহয় ঘৰৰ মানুহৰ সৈতে পাৰ কৰা। কথাপাতা তোমাৰ স্কুলৰ বা কলেজৰ বিষয়ে। তোমাৰ সমস্যাৰ বিষয়ে মা, দেউতা বা দাদা বাইদেউক খোলাকৈ কোৱা। তুমি অকলে যুঁজি থকা ডাঙৰ সমস্যাটো ঘৰৰ মানুহক ক'লে তেওঁলোকে সোনকালে সমাধানৰ বাট উলিয়াই তোমাক সেই কষ্টৰ পৰা পৰিত্ৰাণ দিয়াব পাৰিব। কাৰণ তেওঁলোকৰ জীৱনৰ অভিজ্ঞতা তোমাতকৈ বেছি।

মনত ৰাখিবা AI ৰ কোনো মগজু নাই, কোনো হৃদয় নাই বা আবেগ অনুভূতি নাই। এজন কবি বা সাহিত্যিকে বছৰ বছৰ ধৰি সাধনা কৰি লিখা এখন কিতাপৰ মূল্য AI ব্যৱহাৰ কৰি এঘণ্টাতে লিখিব পৰা কিতাপতকৈ বহুত গুণে বেছি। নিজৰ সাধ্যৰ বাহিৰৰ কামবোৰ AIৰ দ্বাৰা কৰি আনৰ পৰা মিছা প্ৰশংসা লোৱাতকৈ নিজে কষ্ট কৰি কাম এটা কৰি নিজৰ অন্তৰৰ ভিতৰৰ পৰা যিটো প্ৰশান্তি বা আত্ম সন্তুষ্টি লাভ কৰিব পাৰি সেইটোহে আচল।

মৰিগাঁৱত বিশ্ব ৰোগী সুৰক্ষা দিৱস উপলক্ষে ভূৰবন্ধা আদৰ্শ চিকিৎসালয়ত সজাগতামূলক কাৰ্যসূচী

(১ পৃষ্ঠাৰ পৰা)● বিষয়ে মাতৃসকলক সজাগ কৰা হয়। লগতে সঠিক পদ্ধতি আৰু কৌশলেৰে স্তন্যপান কৰোৱাৰ গুৰুত্ব সম্পৰ্কে স্বাস্থ্য শিক্ষা প্ৰদান কৰা হয়। মহিলাসকলক স্তনৰ অস্বাভাৱিকতা আগতীয়াকৈ চিনাক্ত কৰাৰ উদ্দেশ্যে Breast Self-Examination (BSE)-ৰ সঠিক পদ্ধতিৰ ব্যৱহাৰিক প্ৰশিক্ষণো দিয়া হয়। ইয়াৰ উপৰিও ৩০ বছৰ আৰু তাতকৈ অধিক বয়সৰ হিতাধিকাৰীসকলৰ অসংক্ৰামক ৰোগ (NCDs) চিনাক্তকৰণৰ বাবে স্ক্ৰীনিং সম্পন্ন কৰা হয়। এই পদক্ষেপসমূহে ৰোগ প্ৰতিৰোধ, আগতীয়া ৰোগ নিৰ্ণয়, ৰোগী সুৰক্ষা আৰু গুণগত স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিত বিশেষ ভূমিকা পালন কৰে। অনুষ্ঠানত ভূৰবন্ধা মডেল হাস্পতালৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মণিকা বৰাৰ লগতে চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু অন্যান্য কৰ্মচাৰীসকল উপস্থিত থাকে।

সাপ্তাহিক মৰিগাঁও

সম্পাদকীয়

বছৰ-৩০, সংখ্যা-৯, ২৪- ছেপ্টেম্বৰ, ২০২৬, বৃহস্পতিবাৰ
Vol-30, No.- 9, 24- September, 2026,Thursday

মানৱতাৰ সংকট আৰু কালজয়ী আহ্বান

(যোৱা সংখ্যাৰ পৰা) কিন্তু সময়ৰ নিৰন্তৰ সোঁতত সমাজজীৱনৰ সেই আত্মিক ভেটিটো ক্ৰমাৎ শিথিল হৈ পৰিছে। একবিংশ শতিকাই মানুহৰ হাতলৈ জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিৰ অভূতপূৰ্ব শক্তি কঢ়িয়াই আনিছে। কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল প্ৰযুক্তি, সামাজিক মাধ্যম আৰু আধুনিক যোগাযোগ ব্যৱস্থাই পৃথিৱীখনক পূৰ্বতকৈ অধিক সংযুক্ত কৰিছে। মানুহে মহাকাশৰ সীমা অতিক্ৰম কৰিছে, চিকিৎসাবিজ্ঞানত অভূতপূৰ্ব সাফল্য লাভ কৰিছে, মুহূর্তৰ ভিতৰতে পৃথিৱীৰ এটা প্ৰান্তৰ পৰা আনটো প্ৰান্তলৈ তথ্য প্ৰেৰণ কৰিব পৰা হৈছে। বস্তুগত সা-সুবিধাও পূৰ্বতকৈ বহু বেছি বৃদ্ধি পাইছে। তথাপি এই চকুতলগা প্ৰগতিৰ আঁৰত আধুনিক সভ্যতাৰ এক কৰুণ পৰিহাস লুকাই আছে। পৃথিৱীখন প্ৰযুক্তিগতভাৱে যিমানেই ওচৰ চাপি আহিছে, বহু ক্ষেত্ৰত মানুহৰ আন্তৰিক দূৰত্বও সিমানেই অনুভূত হৈছে। যোগাযোগৰ মাধ্যম অসংখ্য হৈছে, কিন্তু আন্তৰিক সংযোগ বহু সময়ত ক্ষীণ হৈ পৰিছে। তথ্যৰ বিস্ফোৰণ ঘটিছে, কিন্তু অনুভৱৰ গভীৰতা সেই অনুপাতে বৃদ্ধি পোৱা নাই। মানুহৰ সামাজিক পৰিসৰ বহল হৈছে, বিপৰীতে বহুক্ষেত্ৰত হৃদয়ৰ পৰিসৰ সংকুচিত হৈ পৰিছে। সামাজিক মাধ্যমত হাজাৰ হাজাৰ সংযোগ থাকিও বহু মানুহে নিঃসংগতাৰ বোজা কঢ়িয়াই ফুৰা দেখা যায়। আনৰ জীৱনৰ প্ৰতিটো ক্ষণৰ খবৰ মুহূর্ততে লাভ কৰিও কাষত থকা মানুহজনৰ অন্তৰৰ বেদনা অনুভৱ কৰিবলৈ আমাৰ সময় নাথাকে। কা�ৰোবাৰ দুৰ্দশাৰ ছবি দেখি আমি ক্ষণিকৰ বাবে বিচলিত হওঁ, কিন্তু সেই বেদনাৰ উপশমৰ বাবে আগবাঢ়ি যোৱাৰ মানসিকতা সদায় গঢ় লৈ নুঠে। সহানুভূতি কেতিয়াবা এটা 'লাইক', এটা 'কমেণ্ট' অথবা ক্ষণস্থায়ী আৱেগৰ মাজতে সীমাবদ্ধ হৈ পৰে। মানুহৰ দুখ আমাৰ বাবে কেতিয়াবা এটা দৃশ্য, এটা খবৰ অথবা এটা সংখ্যা হৈ পৰে। কিন্তু সেই দুখৰ আঁৰত থকা মানুহজনৰ অসহায়তা, যন্ত্ৰণা আৰু নীৰৰ কান্দোন আমাৰ হৃদয়ত গভীৰভাৱে প্ৰতিফলিত নহয়। এই আত্মিক বিচ্ছিন্নতা আৰু সংবেদনশীলতাৰ অৱক্ষয়েই আধুনিক সভ্যতাৰ অন্যতম গভীৰ সংকট হৈ পৰিছে। এনে এক আত্মিক আৰু সামাজিক সংকটৰ সন্ধিক্ষণতেই ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰতিধ্বনিত হোৱা সেই কালজয়ী প্ৰশ্নটোৱে স্বাভাৱিকভাৱেই আমাৰ বিবেকত গভীৰ আলোড়ন তুলি আহিছে— 'মানুহে মানুহৰ বাবে/ যদিহে অকণো নাভাবে / অকণি সহানুভূতিৰে / ভাবিব কোনেনো কোৱা, সমনীয়া ?' (আগলৈ)

বসন্ত কুমাৰ নাথৰ গ্ৰন্থ এৰাবাটত এভুমুকি-জনকণ্ঠ-২ গীত উন্মোচন

(১ পৃষ্ঠাৰ পৰা)● উপদেষ্টা বিৰিঞ্চি কুমাৰ শৰ্মাই। শব্দকল্পৰ সভাপতি লক্ষ্যজ্যোতি নাথে আঁত ধৰা সভাখনত লেখক বসন্ত কুমাৰ নাথৰ পঞ্চমখন গ্ৰন্থ 'এৰাবাটত এভুমুকি' শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে মৰিগাঁও জিলাৰ সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতাই। কলিতাই গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত কয় গ্ৰন্থখনত বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় সন্নিবিষ্ট হৈছে যদিও টেট শিক্ষকসকলৰ সমস্যাৰাজীৰ ওপৰত লিখা তথ্য সম্বলিত লিখনিটোৱে টেট শিক্ষকসকলক ন্যায় দিবলৈ সক্ষম হোৱা লেখাটো অতিকৈ উল্লেখনীয় বুলি মন্তব্য কৰে। ইফালে উজ্জ্বল কুমাৰ নাথৰ সুৰ আৰু সূর্য কুমাৰ নাথৰ বাদ্যযন্ত্ৰৰ সহযোগত 'জনকণ্ঠ-২' ৰ নামৰ গীতটো উন্মোচন কৰে সংগীত শিল্পী, লেখক ৰঞ্জন কুমাৰ বেজবৰুৱাই। গীতটো উন্মোচন কৰি বেজবৰুৱাই কেইবাটাই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰি সভাখন অধিক জীপাল কৰি তোলে। আনহাতে শিল্পী অশোক ডেকাই বন্তি প্ৰজ্বলনৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ সভাখনত মৰিগাঁও জিলাৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ শইকীয়া, ব্ৰুমুণি গোস্বামী, জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মাই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। সভাখনত গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বাবুল বৰা, শিক্ষক কৃষ্ণ বৰুৱা আদি কৰি ভালেসংখ্যক সাহিত্যানুৰাগী উপস্থিত থাকে।

মৰিগাঁৱত প্ৰাক্তন সাংসদ জ্যেষ্ঠ কংগ্ৰেছ নেতা আব্দুল খালেকৰ বিস্ফোৰণ

(১ পৃষ্ঠাৰ পৰা)● চৰকাৰখন ধাৰ-ঋণত পৰিচালিত এখন বিফল চৰকাৰ। সেয়ে বিগত ৫ মাহ ধৰি ৰাজ্যখনে গতি লাভ কৰিব পৰা নাই। জাতি মাটি ভেটি কথা কোৱা বিজেপি চৰকাৰে সংখ্যালঘু লোকসকলৰ কথা বাদেই, জনজাতি সকলৰ আবেগ অনুভূতি আৰু উন্নয়নৰ কথাও নাভাবে। বিজেপি চৰকাৰে প্ৰতিটো জাতি জনগোষ্ঠীক চৰম বঞ্চনা আৰু প্ৰতাৰণাহে কৰি আহিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। এইমছৰ প্ৰসংগ উল্লেখ কৰি কয় নগাঁও জিলাৰ ৰহাত এইমছ হাস্পতালখন লাগে বুলি দাবী কৰি ৰহা সমষ্টিবাসীয়ে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ লগতে শ্বহীদো হ'বলগীয়া হৈছিল। কিন্তু পৰৱৰ্তীকালত এখন উন্নতমানৰ চিকিৎসালয়ো পাবলৈ সমৰ্থ নহ'ল ৰহা সমষ্টিবাসীয়ে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত তেওঁ কয় ঃ এইটো এটা অকাল নিৰ্বাচন। কাৰণ প্ৰদ্যুৎ ৰৱদলৈয়ে নগাঁও লোকসভা সমষ্টিবাসীৰ আশা ভৰসাক পদাঘাত কৰি সাম্প্ৰদায়িক বিজেপি দললৈ ধাপলি মেলিলে। ত্যাগৰ প্ৰতিদান স্বৰূপে কালক্ৰমত তেওঁ এটা মন্ত্ৰী পদো লাভ কৰিবলৈ সক্ষম নহ'ল। ইফালে বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাক তীক্ষ্ণ সমালোচনা কৰি কয় ঃ মৰিগাঁও আৰু নগাঁৱৰ জিলাৰ আয়ুক্ত হৈ থকাৰ সময়চোৱাত তেওঁ বিজেপি দলৰ এজেণ্ট হিচাপে কাম কৰিছিল। এজন প্ৰশাসনিক বিষয়াই একেদিনাই চাকৰিৰ পৰা অব্যাহতি লৈ ৰাজনৈতিক দলৰ প্ৰাৰ্থী হোৱাটো ভাৰতীয় ৰাজনৈতিক ইতিহাসক এক নজীৰ বিহিন ঘটনা। নৈতিকতা থকা হয় দেৱাশিস শৰ্মাই নিজেই প্ৰাৰ্থী নহ'ল হয় বা বিজেপি দলটোৱে প্ৰাৰ্থিত্ব প্ৰক্ষেপ নকৰিলে হয়। তেওঁ ভাৰতীয় সংবিধান উলংঘন কৰি ভাৰতীয় পুৰুষ-মহিলাক বাংলাদেশী সজাই সীমান্ত পাৰ কৰি খেদি পঠিয়াবলৈ প্ৰচেষ্টা চলাইছিল। ভোটৰ আশাত সংখ্যালঘুৰ ৰাইজৰ ওচৰত থিয় হৈ ইনচে আল্লাহ, মাহচা আল্লা সম্বোধন কৰি অভিনয়ত নামি পৰিছে। দেৱাশিস শৰ্মা আৰু মৌলানা বদৰউদ্দিন আজমল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৰিমটকণ্ট্ৰ'লত পৰিচালিত একোজন ব্যক্তি। এতিয়া এ আই ইউ ডি এফৰ মূৰব্বী মৌলানা বদৰউদ্দিন আজমলৰ হাইকামাণ্ড হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহক সমালোচনা কৰি কয় ঃ অসমত বিভিন্ন কাৰণত বহুবাৰ আহিল, কিন্তু অসমৰ বিগত সংহাৰী বান পৰিস্থিতিত তেওঁ আৰু গৃহমন্ত্ৰী অমিত শ্বাহে এবাৰো অসমলৈ আহিবলৈ আহৰি নেপালে। এইয়া অসমৰ বাবে চৰম বঞ্চনাৰ অন্যতম নিদৰ্শন বুলি অভিযোগ উত্থাপন কৰে। তেওঁ আৰু কয় ঃ অসমৰ বিদেশী সমস্যা সমাধানৰ বেলিকা কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালতে সীমান্তত সৰ্বাধিক কাঁটাতাঁৰ বেৰ দিয়া হৈছিল। এতিয়া সীমান্ত উন্মুক্ত হৈ থকাৰ বাবে বিজেপি চৰকাৰে ব্যৰ্থতা স্বীকাৰ কৰিব লাগিব। ৰাজ্যৰ পৰা বিদেশী বিতাৰণৰ ক্ষেত্ৰত কংগ্ৰেছৰ পূৰ্ণ সমৰ্থন আছে। কিন্তু স্বদেশীক হাৰাশাস্তিৰ সমৰ্থন কংগ্ৰেছ দলে কেতিয়াও নকৰে। অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলে জোঁটবন্ধনৰ ধৰ্ম, নীতি-নিয়ম ভংগ কৰিছে। অখিল গগৈ যদি প্ৰকৃততে সাম্প্ৰদায়িক দল বিজেপি আৰু এআইইউডিএফ বিৰোধী হয়, তেন্তে সময় উকলি নাযাওঁতেই এচিড টেষ্ট কৰক বুলি কৈ তেওঁ অখিল গগৈক মিত্ৰজোঁটক শক্তিশালী কৰিবলৈ আহ্বান জনায়। সংবাদ মেলত মহিলা কংগ্ৰেছৰ ৰাজ্যিক সম্পাদিকা নাহিদা চৌধুৰী, চাহনাজ খানম, জিলা কংগ্ৰেছৰ সভাপতি শ্ৰৱণ কুমাৰ ডেকাৰজা, সাধাৰণ সম্পাদক ক্ৰমে সীমান্ত হাজৰিকা, দেউতী মেধি, জ্যেষ্ঠ কংগ্ৰেছ নেতা মহিবুৰ ৰহমান, মইদুল ইছলাম খান, শশীমোহন বিশ্বাস, বীৰেশ্বৰ মেধি, শ্যামন্ত মেধি আদি উপস্থিত থাকে।

শিক্ষাৰ মন্দিৰ ঃ অস্তিত্বৰ যুঁজ

(১ পৃষ্ঠাৰ পৰা)● নৈতিক দায়িত্ব।

যিকোনো আধুনিক ৰাষ্ট্ৰৰ সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ দিশসমূহ দেশখনৰ শিক্ষা ব্যৱস্থাৰ গুণগত মানৰ সৈতে পোনপটীয়াভাৱে জড়িত হৈ থাকে। যদি আমি ভাৰতৰ দৰে বিশাল গণতান্ত্ৰিক দেশ এখনৰ কথা চিন্তা কৰোঁ, তেন্তে দেখা পোৱা যায় যে, গৰিষ্ঠসংখ্যক জনসাধাৰণৰ শিক্ষাৰ মূল আধাৰ হৈছে চৰকাৰী বিদ্যালয়সমূহ। কিন্তু আজিৰ প্ৰতিযোগিতামূলক যুগত এই বিদ্যালয়সমূহৰ প্ৰতি থকা পূৰ্বৰ সেই আস্থা কিছু পৰিমাণে স্থবিৰ হৈ পৰা যেন অনুভৱ হয়। ইয়াৰ বিপৰীতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে সমাজত এক নতুন ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। এই সামাজিক পৰিৱৰ্তনৰ আঁৰত থকা কাৰকসমূহ গভীৰভাৱে বিশ্লেষণ কৰাটো অতি প্ৰয়োজনীয়। বিদ্যালয়ৰ অৰ্থ কেৱল কেইটামান কোঠা বা এটা অট্টালিকা নহয়; বিদ্যালয় হ'ল এখন সমাজৰ জীৱন্ত দাপোন, য'ত আমাৰ নতুন প্ৰজন্মই নিজৰ ভৱিষ্যত গঢ়াৰ সপোন দেখে। সমাজৰ আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে চৰকাৰী বিদ্যালয়সমূহ হ'ল একমাত্ৰ ভৰসাৰ কেন্দ্ৰ। সেয়েহে, এই বিদ্যালয়সমূহৰ আন্তঃগাঁথনি অধিক উন্নত কৰাৰ জৰিয়তে সেইসমূহক আকৰ্ষণীয় কৰি তোলাটো বৰ্তমানৰ সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তা। আমাৰ লক্ষ্য হ'ব লাগে গুণগত শিক্ষাৰ সৰ্বজনীন প্ৰসাৰ আৰু শ্ৰেণীকোঠাৰ শিক্ষাৰ মানৰ আমূল আধুনিকীকৰণ।

চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাৰ বিষয়টোৰ আঁৰত সামাজিক আৰু মানসিক উভয় কাৰণেই জড়িত হৈ আছে। সমাজৰ সৰ্বস্তৰৰ লোকৰ বাবে চৰকাৰী বিদ্যালয় এসময়ত আছিল জ্ঞান আহৰণৰ ● (৪পৃষ্ঠাত)

শিক্ষাৰ মন্দিৰ ঃ অস্তিত্বৰ যুঁজ

(৩পৃষ্ঠাৰ পৰা)● একমাত্ৰ স্থলী। কিন্তু বৰ্তমান সময়ত আৰ্থ-সামাজিক পৰিৱৰ্তনৰ লগে লগে মানুহৰ প্ৰত্যাশাও বৃদ্ধি পাইছে। বহু ঠাইত দেখা যায় যে বিদ্যালয়ৰ ভৌগোলিক দূৰত্ব বৃদ্ধি পালে যাতায়াতৰ অসুবিধাৰ বাবে বহু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি হ্ৰাস পায়। ব্যক্তিগত বিদ্যালয়সমূহৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পোৱা কাৰ্যই আমাক এইটোৱে বুজায় যে অভিভাৱকসকলে বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত এক প্ৰতিযোগিতামূলক আৰু সুশৃংখল পৰিৱেশ বিচাৰিছে। বহু ক্ষেত্ৰত অভিভাৱকসকলে যথেষ্ট কষ্ট কৰি হ'লেও নিজৰ সন্তানক ব্যক্তিগত বিদ্যালয়লৈ পঠিওৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে, কাৰণ তেওঁলোকে তাত এক নিৰ্দিষ্ট ফলাফল আৰু ব্যৱহাৰিক শিক্ষাৰ নিশ্চয়তা বিচাৰে। চৰকাৰী শিক্ষা ব্যৱস্থাতো এই বিশ্বাস আৰু ফলাফলমুখী দায়বদ্ধতা পুনৰুজ্জীৱিত কৰাটো আমাৰ এক প্ৰধান লক্ষ্য হোৱা উচিত। ইয়াৰ বাবে চৰকাৰী খণ্ডৰ শিক্ষা পদ্ধতিৰ ওপৰত জনসাধাৰণৰ আস্থা বৃদ্ধিৰ বাবে এক সুপৰিকল্পিত আৰু সুদূৰপ্ৰসাৰী আঁচনিৰ প্ৰয়োজন আছে।

ব্যক্তিগত বিদ্যালয়ৰ কাৰ্যকৰী পদ্ধতি আৰু তেওঁলোকৰ নিয়মানুবৰ্তিতাৰ ইতিবাচক দিশসমূহৰ পৰা চৰকাৰী প্ৰতিষ্ঠানেও শিক্ষা গ্ৰহণ কৰাৰ থল আছে। বৰ্তমানৰ বিশ্বায়নৰ যুগত শিক্ষা কেৱল পুথিগত জ্ঞানৰ মাজত আৱদ্ধ থকা নাই। ব্যক্তিগত বিদ্যালয়ত থকা শৃংখলাবদ্ধ শৈক্ষিক পৰিৱেশ, ইংৰাজী ভাষাৰ ব্যৱহাৰিক চৰ্চা আৰু ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশৰ বাবে লোৱা বিশেষ পদক্ষেপসমূহে আজিৰ সমাজক আকৰ্ষণ কৰিছে। চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ মান উন্নত কৰিবলৈ হ'লে আমি শৈক্ষিক পৰিৱেশটোৰ এক গঠনমূলক সংস্কাৰ সাধন কৰিব লাগিব। আন্তঃগাঁথনিৰ কথা ক'বলৈ গ'লে দেখা যায় যে বহু চৰকাৰী বিদ্যালয়ত আজিও আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ সুবিধা আছে। এখন আদৰ্শ বিদ্যালয়ত কেৱল কিতাপ পঢ়াই নহয়, এটা উন্নত লাইব্ৰেৰী, আধুনিক কম্পিউটাৰ লেব আৰু এখন সুন্দৰ খেলপথাৰৰ উপস্থিতিৰ দ্বাৰাহে এক সুস্থ শিক্ষাৰ পৰিৱেশ গঢ় লৈ উঠে। চৰকাৰে বিদ্যালয়সমূহৰ আধুনিকীকৰণৰ বাবে হাতত লোৱা প্ৰচেষ্টাসমূহ যদি অধিক ক্ষিপ্ৰ কৰা হয়, তেন্তে নিশ্চিতভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পুনৰ বৃদ্ধি পাব। আমাৰ শিক্ষা ব্যৱস্থাত যি এক ধৰণৰ স্থবিৰতা অনুভৱ কৰা হৈছে, সেইয়া আঁতৰাবলৈ হ'লে নতুন চিন্তা আৰু আধুনিক প্ৰযুক্তিৰ সমিলমিল ঘটোৱাটো অতি আৱশ্যক।

শিক্ষক-ছাত্ৰৰ অনুপাত সঠিকভাৱে ৰক্ষা কৰাটো শিক্ষাৰ মানৰ বাবে এক অপৰিহাৰ্য চৰ্ত। এখন বিদ্যালয়ত যদি বিষয়ভিত্তিক শিক্ষকৰ অভাৱ থাকে, তেন্তে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত ব্যাঘাত জন্মাটো স্বাভাৱিক। বিশেষকৈ গণিত, বিজ্ঞান আৰু ইংৰাজীৰ বাবে আমাক সদায় দক্ষ আৰু অভিজ্ঞ শিক্ষকৰ প্ৰয়োজন। গতিকে খালী হৈ থকা শিক্ষকৰ পদসমূহ সময়মতে আৰু নিয়াৰিকৈ পূৰণ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। ব্যক্তিগত বিদ্যালয়সমূহৰ দৰে চৰকাৰী খণ্ডতো শিক্ষকৰ খালী পদৰ বিপৰীতে তৎকালিন ব্যৱস্থা গ্ৰহণৰ এক স্থায়ী প্ৰণালী থকাটো আৱশ্যক। একেদৰে, শিক্ষকসকলক অ-শৈক্ষিক কাম-কাজৰ পৰা মুক্ত কৰি ৰখাৰ বাবে এক স্পষ্ট নীতি গ্ৰহণ কৰিব লাগে। শিক্ষক এজনৰ মূল কাম হ'ল ছাত্ৰ-ছাত্ৰীক জ্ঞান দান কৰা। তেওঁলোকৰ মেধা আৰু সময়ক যদি কেৱল পাঠদান আৰু ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ কাৰ্যত নিয়োজিত কৰা হয়, তেন্তে চৰকাৰী বিদ্যালয়ৰ ফলাফল ব্যক্তিগত বিদ্যালয়তকৈও বহুগুণে উন্নত হোৱাৰ সম্ভাৱনা থাকে। চৰকাৰী বিদ্যালয়ত থকা শিক্ষকসকল অতি উচ্চশিক্ষিত আৰু তেওঁলোক এক কঠোৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ মাজেৰে নিৰ্বাচিত হৈ আহে। তেওঁলোকৰ প্ৰতিভাক সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰিলে আমাৰ শিক্ষা ব্যৱস্থাৰ এক বৈপ্লৱিক পৰিৱৰ্তন নিশ্চিত।

চৰকাৰী বিদ্যালয়সমূহক বৰ্তমানৰ গোলকীয় প্ৰেক্ষাপটৰ সৈতে ফেৰ মাৰিব পৰাকৈ এক প্ৰতিযোগিতামূলক পৰিৱেশলৈ আনিব লাগিব। কেৱল এটা নতুন অট্টালিকা সজালেই শিক্ষাৰ উন্নয়ন নহয়, তাৰ লগে লগে প্ৰয়োজনীয় পাঠ্যপুথিৰ সঠিক সময়ত যোগান আৰু গুণগত পাঠদানৰ ধাৰা অক্ষুণ্ণ ৰাখিব লাগিব। বিদ্যালয়ৰ প্ৰতি অভিভাৱকৰ আস্থা ঘূৰাই অনাটো আমাৰ এক উমৈহতীয়া দায়িত্ব। আমি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ পৰা গঠনমূলক পৰামৰ্শ লৈ এক ফলপ্ৰসূ নীতি আগবঢ়াই নিব লাগিব। শিক্ষাৰ বাবে কৰা যিকোনো বিনিয়োগেই দেশৰ উজ্জ্বল ভৱিষ্যতৰ বাবে এক শ্ৰেষ্ঠ সঞ্চয়। আমাৰ চৰকাৰী বিদ্যালয়সমূহৰ সম্পদবোৰক সুসংগঠিত কৰাৰ এয়াই উপযুক্ত সময়। সঠিক পৰিচালনা, সদিচ্ছা আৰু সামাজিক সংযোগৰ জৰিয়তে আমি চৰকাৰী বিদ্যালয়সমূহক আকৌ এবাৰ সমাজৰ শ্ৰেষ্ঠ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তুলিব পাৰোঁ। শিক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ নকৰাকৈ আমি এক সুস্থ শৈক্ষিক বাতাবৰণৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব।

বিদ্যালয় পৰিচালনা সমিতি (SMC) সমূহক অধিক সক্ৰিয় আৰু অধিক দায়িত্বশীল কৰি তোলাটো এক সময়োপযোগী পদক্ষেপ হ'ব পাৰে। প্ৰত্যেকখন বিদ্যালয়ৰ সৈতে স্থানীয় সমাজৰ এক আত্মিক সংযোগ থকাটো অতি প্ৰয়োজন। যিখন ● (৫পৃষ্ঠাত)

হৃদৰোগী সকলৰ বাবে কিছুমান খাদ্য সম্পৰ্কীয় পৰামৰ্শ

হৃদৰোগত ভোগা ৰোগীসকলে প্ৰতিদিনে নিজৰ খোৱা খাদ্যৰ কেলৰি লগতে খাদ্য প্ৰকাৰৰ ওপৰত গুৰুত্ব দিয়া উচিত। খোৱা খাদ্যত ঘিউ, বাটাৰৰ সলনি চান ফ্লাৱাৰ অইল, অলিভ অইল, ভেজিটেবল অইল সীমিত পৰিমাণে ব্যৱহাৰ কৰা উচিত। ৰোগী সকলে সদায় সুষম আহাৰ গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

তলত দিয়া খাদ্যবোৰ ৰোগী সকলে নিশ্চিতমনে খাব পাৰে ঃ

(ক) কেঁচা শাক-ফল-মূল।

(খ) চুপ, চালাড়।

(গ) পাতল লচ্চি (বা দৈৰ পানী)

(ঘ) নাৰিকলৰ পানী।

(ঙ) নহৰু, পিঁয়াজ, হালধী আদি।

তলত দিয়া খাদ্যবোৰ সীমিত পৰিমাণত গ্ৰহণ কৰিব লাগে ঃ

(ক) ৰুটি (শুকান), ভাত, ব্ৰড (ব্ৰাউন)।

(খ) দাইল, কম চৰ্বিযুক্ত যেনে - মুৰ্গী, মাছ য'ত কম তেল ব্যৱহাৰ হয়।

(গ) কম চৰ্বীযুক্ত গাখীৰ, পণিৰ, ক্ৰীমহীন দৈ।

(ঘ) মাটিৰ তলৰ পোৱা পাচলি যেনে- আলু, মিঠাআলু, বীট।

(ঙ) চেনী, গুড় আৰু নিমজ আৰু ভেজিটেবল অইল।

(চ) ভেজিটেবল অইল।

তলত দিয়া খাদ্যবোৰ খোৱা বন্ধ কৰিব লাগে ঃ

(ক) মিঠাই য'ত ঘিউ আদিৰ ব্যৱহাৰ কৰা হয় যেনে - গোলাপ জামুন, বুণ্ডিয়া লাৰু, ক'লা জামু, আইচক্ৰিম, ক্ৰিম আদি।

(খ) বেছিকৈ তেলত ভজা খাদ্য যেনে- পকৰা, জিলাপী।

(গ) কণীৰ কুহুম, বেকন, ৰঙা মাংস, লিভাৰ, কিডনী।

(ঘ) মাদকীয় দ্ৰব্য, চিগাৰেট, ধপাত, ক'ল্ডড্ৰিঙ্কচ।

(ঙ) ঘিউ, বাটাৰ, ক্ৰীম, মেঅ'নিজ।

(চ) নিয়মীয়া বস্তু আৰু বেকাৰীৰ বস্তু।

কিছুমান মনকৰিবলগীয়া কথা ঃ

(ক) বাটাৰ আৰু মাৰ'জৰিনে সমান কেলৰি দিয়ে। সেয়ে বাটাৰৰ লগত মাৰ'জৰিন খোৱা অনুচিত।

(খ) বেছি তেলত ভজা বস্তু খোৱা অনুচিত।

(গ) খোৱা খাদ্যবোৰৰ ৰন্ধাৰ বাবে ন'ন ষ্টিক পেন আদি ব্যৱহাৰ কৰা উচিত।

(ঘ) বজাৰত পোৱা পেকেট জাতীয় খাদ্য খোৱাৰ আগতে তাৰ চডিয়ামৰ পৰিমান চোৱা উচিত।

(ঙ) নিতৌ ডায়েটত আৰু সতেজ ফল অন্তৰ্ভুক্ত কৰা উচিত।

(চ) নিতৌ ৮ গিলাচ পানী খোৱা উচিত।

(ছ) নিতৌ ব্যায়াম কৰা উচিত। কোনো নতুন ব্যায়াম আৰম্ভ কৰাৰ আগতে ডাক্তৰৰ লগত পৰামৰ্শ কৰক।

মন কৰিবলগীয়া ঃ ঘিউ, বাটাৰ (মাখন), তেল আদি সিমিত পৰিমাণত ব্যৱহাৰ কৰিব।

।। ৰাইজৰ সেৱাৰ্থে আগবঢ়োৱা হ'ল।।

শিক্ষাৰ মন্দিৰ ঃ অস্তিত্বৰ যুঁজ

(৪ পৃষ্ঠাৰ পৰা)● বিদ্যালয়ক লৈ স্থানীয় ৰাইজে গৌৰৱ অনুভৱ কৰে, সেইখন বিদ্যালয় কেতিয়াও অস্তিত্বৰ সংকটত নপৰে। ব্যক্তিগত খণ্ডৱ বিদ্যালয়সমূহে যিধৰণৰ জনসংযোগ আৰু স্বচ্ছ ব্যৱস্থাপনাৰ জৰিয়তে সমাজত নিজৰ স্থান সুদৃঢ় কৰিছে, চৰকাৰী খণ্ডই সেই ইতিবাচক পদ্ধতিসমূহ গ্ৰহণ কৰিব পাৰে। স্থানীয় অভিভাৱকসকলৰ সৈতে প্ৰতি মাহে আলোচনা চক্ৰ অনুষ্ঠিত কৰি বিদ্যালয়ৰ প্ৰগতি, ছাত্ৰ-ছাত্ৰীৰ দুৰ্বলতা আৰু প্ৰয়োজনীয়তাৰ বিষয়ে মুক্তভাৱে আলোচনা কৰিলে এটা সুন্দৰ সমন্বয় গঢ়ি উঠিব। ৰাইজৰ সক্ৰিয় অংশগ্ৰহণে শিক্ষা ব্যৱস্থাটোক যিদৰে গতিশীল কৰি তোলে, তেনেদৰে ই এক পাৰস্পৰিক দায়বদ্ধতাৰ পৰিৱেশো সৃষ্টি কৰে। স্থানীয় গাঁওবাসী বা চহৰৰ বাসিন্দাসকলে যদি বিদ্যালয়খনক নিজৰ বুলি গণ্য কৰে, তেন্তে তাৰ শৈক্ষিক পৰিৱেশৰ উন্নয়ন কোনেও ৰোধ কৰিব নোৱাৰে।

শিক্ষা পদ্ধতিৰ আধুনিকীকৰণৰ ক্ষেত্ৰত চৰকাৰী বিদ্যালয়সমূহৰ গুৰুত্ব বৰ্তমান অধিক বৃদ্ধি পাইছে। আজিৰ বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ যুগত কেৱল কিতাপৰ পদ্য বা গদ্য মুখস্থ কৰাটোৱেই প্ৰকৃত শিক্ষা নহয়। ইয়াৰ লগতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক বৃত্তিমূলক শিক্ষা, কলা-সংস্কৃতি, খেল-ধূলা আৰু কম্পিউটাৰৰ উন্নত শিক্ষাৰ সৈতে চিনাকি কৰি দিব লাগিব। শ্ৰেণীকোঠাত যদি স্মাৰ্ট ক্লাছৰ ব্যৱস্থা কৰিব পৰা যায়, তেন্তে শিশুসকলৰ বাবে শিকন প্ৰক্ৰিয়াটো অতিশয় আনন্দদায়ক হৈ উঠিব। ইণ্টাৰনেটৰ জৰিয়তে বিশ্বৰ বিভিন্ন তথ্য আহৰণ কৰাৰ সুবিধা থাকিলে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিধি স্বাভাৱিকতে বৃদ্ধি পাব। এনে আধুনিক সা-সুবিধাসমূহে চৰকাৰী বিদ্যালয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ এক বিশেষ মানসিক আসক্তি গঢ়ি তুলিব। ইয়াৰ ফলত ব্যক্তিগত বিদ্যালয়ৰ সৈতে এক গঠনমূলক প্ৰতিযোগিতাৰ পৰিৱেশ গঢ়ি উঠিব আৰু ইয়াৰ আটাইতকৈ ইতিবাচক প্ৰভাৱ পৰিব আমাৰ নৱপ্ৰজন্মৰ ওপৰত। আমি মনত ৰখা উচিত যে শিক্ষাৰ উদ্দেশ্য কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাই নহয়, বৰঞ্চ এজন পূৰ্ণাঙ্গ মানৱ সম্পদ হিচাপে গঢ়ি উঠাহে।

আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত মাতৃভাষাৰ গুৰুত্ব অপৰিসীম। চৰকাৰী বিদ্যালয়সমূহে মাতৃভাষাৰ চৰ্চাৰ লগতে যদি ইংৰাজী ভাষাৰ শিক্ষাৰ ওপৰতো অধিক জোৰ দিয়ে, তেন্তে সেয়া এক অতি ফলপ্ৰসূ পদক্ষেপ হ'ব। বহু সময়ত দেখা যায় যে কেৱল ইংৰাজী মাধ্যমৰ প্ৰতি থকা দুৰ্বলতাৰ বাবেই বহু অভিভাৱকে নিজৰ সন্তানক ব্যক্তিগত বিদ্যালয়লৈ পঠায়। এই বাস্তৱক হৃদয়ংগম কৰি যদি চৰকাৰী বিদ্যালয়সমূহেও দ্বৈভাষিক শিক্ষা পদ্ধতি বা ইংৰাজী শিকোৱাৰ এক উন্নত প্ৰণালী গ্ৰহণ কৰে, তেন্তে চৰকাৰী বিদ্যালয়ৰ গ্ৰহণযোগ্যতা দ্ৰুততৰ হ'ব। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে সম-সুযোগ আৰু সম-শিক্ষা নিশ্চিত কৰাটোৱে হ'ব লাগে আমাৰ ভৱিষ্যতৰ মূল লক্ষ্য। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক স্বাস্থ্যৰ প্ৰতিও লক্ষ্য ৰখাৰ প্ৰয়োজন আছে। বিদ্যালয়ত যোগাসন, মনোবৈজ্ঞানিক পৰামৰ্শ আৰু সৃজনীমূলক কামৰ সুবিধা থাকিলে শিক্ষাৰ্থীৰ সৰ্বাংগীণ বিকাশ সম্ভৱ হৈ উঠিব।

সামৰণিত এইটোৱেই ক'ব পাৰি যে, আমাৰ জাতিটোৰ ভৱিষ্যত আজিৰ আমাৰ সিদ্ধান্ত আৰু কৰ্মৰাজিৰ ওপৰতে নিৰ্ভৰ কৰিছে। যদি আমি আমাৰ ঐতিহ্যমণ্ডিত চৰকাৰী বিদ্যালয়সমূহক অধিক শক্তিশালী কৰিব পাৰোঁ, তেন্তে ভৱিষ্যতে সমাজত এক সুস্থ সমতাৰ পৰিৱেশ গঢ় লৈ উঠিব। আমি সকলোৱে মিলি সমন্বয় আৰু মান্য শিক্ষাৰ এক নতুন পথ নিৰ্মাণ কৰিব লাগিব। বিদ্যালয়ৰ একত্ৰীকৰণৰ দৰে প্ৰশাসনিক প্ৰক্ৰিয়াবোৰৰ মাজতো যাতে শিক্ষাৰ মূল উদ্দেশ্য ব্যাহত নহয়, তাৰ প্ৰতি চকু ৰখা উচিত। বিদ্যালয়ৰ প্ৰতি থকা জনসাধাৰণৰ আস্থা পুনৰ ঘূৰাই অনাটোহে আমাৰ প্ৰকৃত সফলতা। চৰকাৰী শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ অৰ্থ হ'ল জাতিৰ ভেটিটোক অধিক দৃঢ় কৰা। এই সংকল্প লৈ আমি সকলোৱে একগোট হৈ কাম কৰি যাব লাগিব। গুণগত শিক্ষা আৰু সামাজিক দায়বদ্ধতাই হওক আমাৰ ভৱিষ্যতৰ মূল মাপকাঠি। আমি আশাবাদী যে চৰকাৰী কৰ্তৃপক্ষই এই সমগ্ৰ বিষয়টো অত্যন্ত গুৰুত্বসহকাৰে বিবেচনা কৰিব আৰু অনাগত দিনত চৰকাৰী বিদ্যালয়সমূহ একো একোটা উন্নত মানৰ শিক্ষা কেন্দ্ৰ হিচাপে জিলিকি উঠিব। এই দীঘলীয়া যাত্ৰাত প্ৰতিজন শিক্ষক, প্ৰতিজন অভিভাৱক আৰু প্ৰতিজন সচেতন নাগৰিকে নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিব লাগিব। তেতিয়াহে আমি এক সুস্থ, সবল, শিক্ষিত আৰু জ্ঞানসমৃদ্ধ সমাজ গঢ়িবলৈ সক্ষম হ'ম। শিক্ষাৰ এই মন্দিৰসমূহক জীয়াই ৰখাটো আমাৰ সভ্যতা আৰু সংস্কৃতিৰ উত্তৰণৰ এক অন্যতম অপৰিহাৰ্য চৰ্ত। আধুনিক শিক্ষা আৰু নৈতিকতাৰ সংমিশ্ৰণেৰে আমাৰ চৰকাৰী বিদ্যালয়সমূহে বিশ্বদৰবাৰত নিজৰ স্থান দখল কৰিবলৈ সক্ষম হওক, সেয়াই আমাৰ কামনা।

শব্দকোষত বড়ো ভাষাৰ দেৱনাগৰী লিপি বৰ্জনৰ বিৰুদ্ধে মৰিগাঁও জিলাৰ নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰতিবাদ

।। **বিশেষ সেৱা**।। অলপতে গুৱাহাটীৰ আমবাৰীস্থিত ৰাজ্যিক সংগ্ৰহালয় চৌহদৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বহু প্ৰত্যাশিত 'হেমকোষৰ পৰিশিষ্ট' শব্দকোষখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয় যদিও বহুভাষিক শব্দকোষখনক লৈ মৰিগাঁও জিলাৰ নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো জনগোষ্ঠীয় বিভিন্ন দল-সংগঠনে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। মৰিগাঁও জিলাৰ নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি জয় চন্দ্ৰ বড়োৱে সংবাদ মাধ্যমৰ আগত এই সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় ঃ বড়ো, মিচিং, কাৰ্বি, ৰাভা আদি ভাষা সন্নিৱিষ্ট কৰি শব্দকোষ প্ৰকাশ কৰাৰ উদ্যোগক তেওঁলোকে আদৰণি জনাইছে যদিও বড়ো ভাষাৰ বাবে ব্যৱহাৰ কৰা লিপি সন্দৰ্ভত তেওঁলোকৰ গুৰুতৰ আপত্তি আছে। তেওঁ কয় বড়ো ভাষা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীভুক্ত এটা অন্যতম সমৃদ্ধ ভাষা আৰু অসমৰ সহযোগী চৰকাৰী ভাষা। এই ভাষাৰ চৰকাৰীভাৱে স্বীকৃত লিপি হ'ল দেৱনাগৰী। কিন্তু উক্ত শব্দকোষখনত দেৱনাগৰী লিপি ব্যৱহাৰ নকৰি কেৱল অসমীয়া লিপিত শব্দকোষ প্ৰস্তুত কৰা কাৰ্যক বড়ো ছাত্ৰ সন্থাই ঘোৰ বিৰোধিতা কৰিছে। 'সাদিন-প্ৰতিদিন' গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱাক আহ্বান জনাই কয় ঃ বড়ো জনগোষ্ঠীৰ ভাষা-সংস্কৃতি আৰু দল-সংগঠনৰ মতামত নোলোৱাকৈ এনেদৰে প্ৰথম সংস্কৰণ প্ৰকাশ কৰাটো দুৰ্ভাগ্যজনক। তেওঁ দাবী জনায় যে ভৱিষ্যতে এই শব্দকোষখন পুনৰ ছপা বা সংস্কৰণ কৰিলে তাত অসমীয়া লিপিৰ সমান্তৰালকৈ বড়ো ভাষাৰ প্ৰকৃত দেৱনাগৰী লিপি বাধ্যতামূলকভাৱে সন্নিৱিষ্ট কৰিব লাগিব। জয় চন্দ্ৰ বড়োৱে লগতে কয় যে উক্ত প্ৰকল্পৰ উপদেষ্টা মণ্ডলীত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰেন বড়ো আৰু উপ-সভাপতি প্ৰশান্ত বড়োৰ দৰে বিশিষ্ট ব্যক্তি থকা সত্ত্বেও এনে ভুল কেনেকৈ হ'বলৈ পালে, তাক লৈ প্ৰশ্ন উদয় হৈছে। তেওঁলোকে সঠিক পৰামৰ্শ প্ৰদান কৰা উচিত আছিল বুলি উল্লেখ কৰি ভৱিষ্যতে এনে ভুল পুনৰাবৃত্তি নকৰিবলৈ সঁকীয়াই দিয়ে। সমগ্ৰ অসমতে এই বিষয়টোক লৈ ইতিমধ্যে প্ৰতিবাদ সাব্যস্ত হোৱা বুলি উল্লেখ কৰি মৰিগাঁও জিলা বড়ো ছাত্ৰ সন্থাই অনতিপলমে শব্দকোষখনৰ ভুল শুধৰণি কৰিহে বিতৰণ আৰু পুনৰ প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই। বড়ো ছাত্ৰ সন্থাই সংবাদ মাধ্যমৰ আগত ক্ষোভ প্ৰকাশ কৰা কাৰ্যসূচীত মৰিগাঁও জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ সম্পাদক পবিত্ৰ দেউৰী, নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ জনসম্পৰ্কীয় সম্পাদক নিতু কুমাৰ বড়ো,সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুষ্পধৰ মহেলা, গেৰুৱা আঞ্চলিকৰ বড়ো ছাত্ৰ সন্থাৰ সভাপতি পৰেশ কোঁৱৰ আদি কৰি কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।

নগাঁও লোকসভাৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰতি মুকলি সমৰ্থন অসম গৰিয়া পৰিষদ-মৰিয়া জনগোষ্ঠীয় সন্মিলনীৰ

।। **বিশেষ সেৱা**।। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে নিজৰ নিজৰ প্ৰাৰ্থীসমূহৰ নিৰ্বাচনী প্ৰচাৰ জোৰদাৰ কৰি তোলাৰ সমান্তৰাললৈ অৰাজনৈতিক সংগঠনসমূহেও নিজৰ নিজৰ দৃষ্টিভংগী প্ৰকাশৰে ৰাজনৈতিক বতাহ উত্তাল কৰি তুলিছে। ইয়াৰ মাজতে অৰাজনৈতিক দুই সংগঠন অসম গৰিয়া পৰিষদ আৰু মৰিয়া জনগোষ্ঠীয় সন্মিলনীয়ে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰতি সংবাদমেলৰ জৰিয়তে অলপতে মুকলি সমৰ্থন ঘোষণা কৰা ঘটনাই বিশেষ তাৎপৰ্য বহন কৰিছে। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ৰ সভাকক্ষত দুয়োটা সংগঠনে যৌথভাৱে অনুষ্ঠিত কৰা এক সংবাদমেলত লোকসভা সমষ্টিটোৰ সৰ্বাংগীণ উন্নয়ন, শান্তি-সম্প্ৰীতি, সামাজিক স্থিৰতা আৰু জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত বিজেপিৰ মনোনীত প্ৰাৰ্থী দেবাশিস শৰ্মাক ● (৬পৃষ্ঠাত)

সপ্তাহটোৰ ৰাশিফল

কৌপাতি সূত্রধৰ

মেষৰাশি (অ,আ,ল) ঃ ভূমি সংক্রান্ত সমস্যাৰ সমাধান আৰু গৃহনির্মাণৰ যুগ হ'ব। অবিবাহিতৰ বিবাহৰ যুগ। কর্মক্ষেত্রত গুপ্ত শত্রুৰ প্রভাৱ বৃদ্ধিৰ যুগ। পত্নীৰ স্বাস্থ্যৰ অশান্তিয়ে মনত কষ্ট দিব। আর্থিকত খৰছ বৃদ্ধিৰ যুগ। ব্যৱসায়ত উন্নতিৰ আৰু লাভৰ যুগ। সন্তানৰ সফলতাই মনত আনন্দ দিব। সপ্তাহৰ শেষত হঠাৎ অর্থলাভৰ যুগ দেখা যায়।

বৃষৰাশি (ই,উ,ব) ঃ কর্মত পদোন্নতিৰ যুগ। দূ�ৰভ্রমণত সতর্কতা অৱলম্বন কৰিব। আর্থিকত ক্ষতিৰ আশংকা। নিবনুৱা প্রার্থীৰ কর্ম লাভৰ যোগ। বিবাহৰ যোগাযোগ লাভ। দুচকীয়া বাহনৰ পৰা কিছু সতর্ক হ'ব। ঘৰুৱা কোনো সমস্যাই মনত অশান্তি দিব। বিদ্যাত শুভ। ৰাজনীতিক, চিকিৎসক,বুদ্ধিজীৱিৰ শুভ সপ্তাহ।

মিথুনৰাশি (ক,ছ) ঃ পূ�ৰণা পাব লগা ধন লাভৰ যুগ হ'ব। কর্মত উন্নতি আৰু সফলতা লাভ। ব্যৱসায়ত নতুন যোগাযোগ লাভ আৰু উন্নতিৰ যুগ। বিদ্যার্থীৰ সফলতা লাভ। পাৰিবাৰিক দিশত কিছু অশান্তিৰ যুগ হ'ব। মাতৃৰ স্বাস্থ্যৰ অশান্তিয়ে মনত কষ্ট দিব। প্রেম-প্রীতিত বিফলতা।

কর্কটৰাশি (ড,হ) ঃ সপ্তাহৰ আৰম্ভণিত ভ্রমণ যোগ হ'ব। গৃহনির্মাণৰ দিশত অগ্রসৰ হোৱাৰ যুগ। কর্মৰ দিশত শুভ ফল আৰু উন্নতি হ'ব। আর্থিকত লাভবান হ'ব। সন্তানৰ সফলতাই মনত আনন্দ দিব। ব্যৱসায় বাণিজ্যত উন্নতি আৰু লাভ। পেতৰ অশান্তিত কষ্ট পাব। শৰীৰত আঘাত পাব পাৰে। প্রেম-প্রীতিত বাধা।

সিংহৰাশি(ম,ট) ঃ সিংহৰাশিৰ জাত ব্যক্তিৰ সপ্তাহৰ আৰম্ভণিত পাব লগা ধন লাভ হ'ব। কর্মক্ষেত্রত উন্নতি আৰু সফলতা লাভ। পত্নীৰ স্বাস্থ্যৰ প্রতি নজৰ দিব। কোনো সহকর্মীৰ পৰা উপকৃত হ'ব। বিদ্যার্থীৰ উন্নতিৰ যুগ। হঠাৎ শৰীৰত আঘাত পাব পাৰে। কোনো দুঃসংবাদে সপ্তাহৰ শেষত মনোকষ্ট দিব।

কন্যাৰাশি(প,ব,ণ) ঃ নতুন পৰিকল্পনা বাস্তৱত ৰূপায়িত হ'ব। কোনো দুষ্ট চক্রৰ দ্বাৰা ক্ষতিৰ আশংকা। মাটি-বাৰী সংক্রান্ত সমস্যাৰ সমাধানৰ যুগ। আর্থিকত লাভৱান হ'ব। ব্যৱসায়-বাণিজ্যত মধ্যম। বিদ্যার্থীৰ সফলতাৰ যুগ। বিবাহত বাধা আৰু মনোকষ্ট। কর্মত উন্নতি আৰু সন্মান লাভৰ যুগ হ'ব। পাৰিবাৰিক উন্নতি আৰু সম্পত্তি লাভ হ'ব।

তুলাৰাশি(ৰ,ত) ঃ কোনো সংবাদে সপ্তাহৰ আৰম্ভণিত মনত কষ্ট দিব। পাৰিবাৰীক সমস্যাৰ সমাধান হ'ব। চাকৰিলাভৰ যুগ। বিবাহৰ দিশত বাধা আৰু জটিলতা। শাৰিৰীক দিশত উচ্চ ৰক্তচাপ বৃদ্ধি আৰু পেটৰ অশান্তিত ভুগিব। আর্থিক দিশত সপ্তাহটো লাভৱান হ'ব।

বৃশ্চিকৰাশি (ন,য) ঃ ঘৰলৈ সন্তানৰ আগমনে মনত আনন্দ দিব। দূৰ ভ্রমণৰ যুগ। সামাজিক দিশত সন্মান লাভ হ'ব। শৰীৰত বিষ বেমাৰ আৰু পেটৰ অশান্তিত ভুগিব। কর্মত ব্যস্ততা আৰু জটিলতা বৃদ্ধি পাব। বিবাহৰ বন্দোৱস্তি হ'ব। বিদ্যাত উন্নতি আৰু সফলতা লাভ। নিৰুনুৱাৰ কর্ম লাভত বাধাৰ যুগ।

ধনুৰাশি(ধ,ভ,ফ) ঃ কোনো মূল্যৱান সম্পত্তি লাভৰ যুগ । আর্থিক দিশত লাভৱান হ'ব। ব্যৱসায় -বাণিজ্যত মধ্যম। কোনো পূৰণা বন্ধুৰ দ্বাৰা উপকৃত হ'ব। ৰাজনীতিক, সাংবাদিক, বুদ্ধিজীৱিৰ সন্মান লাভ। চিকিৎসক, শিক্ষক, বীমা কর্মীৰ মধ্যম। বিদ্যার্থীৰ শুভ সময় হ'ব। বিবাহৰ যুগ আৰু শৰীৰত হঠাৎ আঘাত প্রাপ্তিৰ আশংকা।

মকৰৰাশি(খ,জ)ঃ বহুদিনীয়া সমস্যাৰ সফল সমাধান হ'ব। আর্থিক দিশত হঠাৎ অর্থলাভৰ যুগ। কর্মত স্থান পৰিৱর্তনৰ যুগ হ'ব। যান-বাহন আদি ক্রয়ৰ যুগ। ব্যৱসায়ত নতুন সংযোজন আৰু উন্নতিৰ যুগ। নিবনুৱাৰ কর্ম প্রাপ্তি হ'ব। অনর্থক শত্রুতাৰ প্রভাৱ বৃদ্ধি আৰু মানসিক অশান্তি। প্রেম-প্রীতিত শুভ সপ্তাহ।

কুম্ভৰাশি(স,শ)ঃ কোনো এজন গুৰুস্থানীয় লোকৰ স্বাস্থ্য অশান্তিৰ যুগ। মানসিক অৱসাদ আৰু কর্মব্যস্ততা বৃদ্ধি পাব। ব্যৱসায়ত প্রাপ্য ধন লাভত বাধাৰ যোগ। অবিবাহিতৰ বিবাহৰ যোগাযোগ লাভ হ'ব। বিদ্যার্থীৰ চঞ্চলতা বৃদ্ধি পাব। প্রেম-প্রীতিত সফলতা। শিক্ষক, সাংবাদিক বীমা আৰু বেংক কর্মীৰ অনুকূল সময়।

মীনৰাশি (দ,চ) ঃ মীনৰাশিৰ জাত ব্যক্তিৰ সপ্তাহটোত নতুন কর্মত অগ্রসৰ নোহোৱাই শুভ হ'ব। কর্মত জটিলতা বৃদ্ধি আৰু শত্রুতাৰ প্রভাৱ। কর্মত উন্নতি আৰু সন্মান লাভ। চুবুৰীয়াৰ লগত মতানৈক্য। কোনো পূৰণা সমস্যাৰ সু-সমাধান হ'ব। ব্যৱসায় বাণিজ্যত নতুন সংযোজন আৰু উন্নতি। আর্থিকত প্রাপ্য ধন হাতলৈ আহিব। প্রেম-প্রীতিত সফলতা আৰু আনন্দ।

নগাঁও লোকসভাৰ উপ-নির্বাচনত বিজেপিৰ প্রতি মুকলি সমর্থন অসম গৰিয়া পৰিষদ-মৰিয়া জনগোষ্ঠীয় সন্মিলনীৰ

(৫পৃষ্ঠাৰ পৰা)● বিপুল ভোটত বিজয়ী কৰিবলৈ প্রায় দুই লাখ স্বগোষ্ঠীয় ৰাইজৰ উপৰিও সমষ্টিটোৰসমূহ ভোটাৰ ৰাইজলৈ আহ্বান জনায়। সংবাদমেলত সংগঠন দুটাৰ নেতৃবৰ্গই কয় ঃ নগাঁও অসমৰ অন্যতম গুৰুত্বপূর্ণ লোকসভা সমষ্টি। এই সমষ্টিৰ উন্নয়ন কেৱল এটা অঞ্চল বা এটা সম্প্রদায়ৰ উন্নয়ন নহয়; শিক্ষা, স্বাস্থ্য, কৃষি, যুৱ সমাজৰ কর্মসংস্থাপন, যোগাযোগ ব্যবস্থা, উদ্যোগ, বান-খহনীয়া সমস্যা, গ্রাম্য অর্থনীতি আৰু সামাজিক নিৰাপত্তাকে ধৰি সকলো ক্ষেত্রৰ সর্বাংগীণ বিকাশৰ কথা জড়িত হৈ আছে। বিগত সময়ছোৱাত কংগ্রেছ দল আৰু চৰকাৰে নগাঁও লোকসভা সমষ্টিটোৰ লগতে অসমৰ প্রায় ৪০ লাখ গৰিয়া আৰু মৰিয়া জনগোষ্ঠীয় লোকক চূড়ান্তভাৱে প্রতাৰণা কৰিলে। ইয়াৰ বিপৰীতে বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰে ৰাজ্যখনত বসবাস কৰা গৰিয়া আৰু মৰিয়া লোকসকলৰ অভাব-অভিযোগসমূহৰ ওপৰত বর্তমানলৈকে গুৰুত্ব প্রদান কৰা পৰিলক্ষিত হৈছে। চৰকাৰখনক জাতিগত জৰিপ শীঘ্রে সম্পন্ন কৰিবলৈকো দাবী জনোৱা হৈছে। এই জৰিপৰ ভিত্তিত গৰিয়া মৰিয়া সকলক খিলঞ্জীয়া হিচাপে স্বীকৃতি প্রদান কৰিব বুলিও জনগোষ্ঠী দুটা আশাবাদী। সেই উদ্দেশ্য আগত ৰাখিয়েই ভাৰতীয় জনতা পার্টীৰ প্রতি অসম গৰিয়া পৰিষদ আৰু মৰিয়া জনগোষ্ঠীয় সন্মিলনীয়ে এই মুকলি সমর্থন আগবঢ়াইছে। গৰিয়া মৰিয়া সমাজকে ধৰি অসমৰ বিভিন্ন থলুৱা সমাজৰ উন্নয়ন আৰু অধিকাৰ সুৰক্ষাৰ বিষয়সমূহ সংগঠন দুটাই বিভিন্ন সময়ত চৰকাৰৰ দৃষ্টিগোচৰ কৰি আহিছে। আগন্তুক দিনতো এই দাবীসমূহ উত্থাপন কৰি যোৱা হ'ব বুলি নেতৃবৰ্গই উল্লেখ কৰে। সংবাদমেলত অসম গৰিয়া পৰিষদৰ কেন্দ্রীয় সমিতিৰ মুখ্য উপদেষ্টা ওমৰ ফা�ৰুক, সভাপতি আব্দুল হামিদ, কার্যকৰী সভাপতি নুৰুল হক, সাধাৰণ সম্পাদক মইনুল হক, মৰিগাঁও আৰু নগাঁও জিলা সমিতিৰ সভাপতিদ্বয় ক্রমে আমিন উদ্দিন আলী আহমেদ, ওৰাছিফ আলম, মৰিয়া জনগোষ্ঠী সন্মিলনীৰ কেন্দ্রীয় সমিতি সভাপতি তফিকুল ইছলাম, কার্যকৰী সভাপতি আলীম উদ্দিন আহমেদ, সাংগঠনিক সম্পাদক ইয়াচিন আলী, সাংস্কৃতিক সম্পাদক জে এ নাছেৰ আৰু মুখপাত্র ইমদাদুল হক উপস্থিত থাকে।

খাদ্য আৰু উচ্চ ৰক্তচাপ

উচ্চ ৰক্তচাপত ভোগা ৰোগীৰ বাবে কিছুমান পৰামর্শ (খাদ্য সম্পর্কীয়) ঃ

১। মাছ ঃ ইয়াত ওমেগা ফেটী এছিড থাকে আৰু লগতেই এটা উত্তম প্র'টিনৰ উৎস। ইয়াত চর্বিৰ পৰিমাণ কম থাকে, কিন্তু অন্য বা বেলেগ কিছুমান পুষ্টিকৰ দ্রব্য থাকে যাৰ ফলত ই তেজৰ ধমনীক সুৰক্ষা প্রদান কৰে আৰু উচ্চ ৰক্তচাপ নিয়ন্ত্রণত ৰাখে।

২। চেলেৰী ঃ- ই এবিধ সেউজীয়া শাক, যাক বহুদিন ধৰি ঔষধি গুণৰ বাবে ব্যৱহৃত কৰা হয়। ইয়াক কেচাকৈ চালাডৰ লগত খালে উচ্চ ৰক্তচাপৰ পৰা কিছু পৰিমাণে হাত সাৰিব পাৰি।

৩। নহৰু ঃ- ই হৃদৰোগ আৰু উচ্চ ৰক্তচাপত ভোগা ৰোগীসকলৰ বাবে উত্তম খাদ্য। প্রতিদিনে এটাকৈ নহৰু খালে ১২ দিনৰ ভিতৰত উচ্চ ৰক্তচাপ নিয়ন্ত্রণলৈ আহে।

৪। পিঁয়াজ ঃ- পিঁয়াজৰ তেল ২-৩ চামুচ প্রতিদিন গ্রহণে ১২ দিনৰ ভিতৰত উচ্চৰক্তচাপ নিয়ন্ত্রণলৈ অনা দেখা যায়।

৫। বিলাহী ঃ- বিলাহীত যথেষ্ট পৰিমাণৰ গামা - এমিন' বিউটাইৰিক এচিড থাকে, যাৰ ফলত উচ্চৰক্তচাপ হ্রাস পায়।

৬। চেফৰণ ঃ চেফৰণৰ ব্যৱহাৰেও উচ্চৰক্তচাপ হ্রাস কৰাত বহুখিনি সহায় কৰে।

৭।ব্রকলি ঃ ইয়াত থকা বহুতো সক্রিয় পদার্থই উচ্চৰক্তচাপ হ্রাস কৰাত সহায় কৰে।

৮। অলিভ অইল ঃ- ইয়াৰ নিতৌ ব্যৱহাৰে চিচষ্টলিক আৰু ডায়ষ্টলিক চাপ (প্রেচাৰ) দুয়োটা হ্রাস কৰি ৰাখে।

৯। আপেল ৰসৰ ভিনেগাৰ ঃ ই শৰীৰলৈ গৈ উচ্চৰক্তচাপ হ্রাস কৰে। ইয়াক খালী পেটত এচামুচ লৈ তিনি গিলাচ কুহুমীয়া গৰম পানীৰ লগত মৌ মিহলি কৰি খালে উত্তম ফল দিয়ে।

অপথ্য ঃ

১। চেনী ২। চেচুৰেটেট ফেট (যেনে - ঘিউ, মাংসৰ চর্বী) ৩। বাদাম আৰু শুকান ফল (যেনে- কিচমিচ, পিচটা) ৪। কেঁচা নিমখ আৰু নিমখীয়া বস্তু। ৫। মিঠাই য'ত ঘিউ আদি ব্যৱহাৰ হয়। ৬। ক'লড্রিঙ্কচ্। ৭। কফি।

।। বাইজৰ সেৱার্থে আগবঢ়োৱা হ'ল।।

কবিতা পৃষ্ঠা

ঘাঁহনিৰ মহাবিদ্বান

● ৰফিক উদ্দিন, ৯৮৬৪৭৯২৩৫৫

জুবিন দা শুনিছেনে নাই
বজাৰত ওলাইছে নতুন খবৰ
আৰু এটা মস্ত গৰুৰ আস্ফালন
নাই তাৰ কোনো জৰী-খুঁটি।
জ্ঞানী-গুণী সমাজখনত
তাৰেই গায় গুণ-গৰিমা
মূৰত কেৱল গোবৰ ভৰা
কথাত নাই অকণো নীতি-নিয়ম।
ঘাঁহনিৰ বাহিৰে সি
একোৰেই নাৰাখে খবৰ
ডিজিটেল পৃথিৱীখনত দেখে
কেৱল ঘাঁহনি ডৰাৰ ঘাঁহ।
দেশ-দুনীয়াৰ খবৰ নাই
নাই কোনো লাজ-মান
নিজকে ভাবি ফুৰে
সি ঘাঁহনিৰ মহাবিদ্বান।
জুবিন দাই হাঁহি হাঁহি
সুৰতে কয়, 'বাৰে বাৰে
আঁকৰা গৰুক বুজাব কোনে
যিয়ে নিজৰ গোৱালকে মাৰে!'



এলাহৰ নিহালিখন

● ৰুমী কলিতা দত্ত, ডিব্রুগড়, ৯৩৬৫৩৭৫৩০৩

এলাহৰ নিহালিখন থোৱা আঁতৰাই
আগবাঢ়ি যোৱা তুমি সাহস দেখুৱাই।
কঠোৰ পৰিশ্রমেই জীৱনৰ মূল
পৰিশ্রমত ফুলিব পাৰে সাফল্যৰ ফুল।
সময়ৰ সং ব্যৱহাৰ শিকি লোৱা তুমি
কৰ্মেৰে শস্যশ্যামলা কৰা নিজৰ মাতৃভূমি।
কপালৰ লিখন বুলি নাথাকিবাচোন বহি
কৰ্তব্যৰ পথেৰে যোৱা বাধা-বিঘিনি নেওচি।
যিসকলে কৰিব এই জগতত নাম
তেওঁলোকৰ মূলতেই আছিল নিৰন্তৰ কাম।
আকাশ লংঘিব পাৰি সৰে ধৈর্য্য আৰু বলত
নিয়তিও নত হয় কর্তব্যনিষ্ঠাৰ ফলত।
সুখ আৰু দুঃখ মাথোঁ নদীৰ দুটিপাৰ
কৰ্মই গঢ়িছে জীৱন সঁচা অর্থত যাৰ।
অনালস যাত্রাই আনিব পুৱাৰ পোহৰ
অলসতা মাথোঁ আন্ধাৰ বিষাদৰ ঘৰ।
ভাগৰুক জিনিলে গঢ়া হেঁপাহৰ সাকোঁ
পোহৰলৈ চোৱা মেলি আশাৰে ভৰা দুচকু।
প্রত্যাহ্বান যিয়েই নাহক তোমাৰ পদপথত
অচল-অটল হৈ থাকা নিজৰ লক্ষ্যত।
কৰ্মই তেহে আনিব জীৱনলৈ মহা পৰিৱর্তন
কৰ্মৰে জয় কৰা সমগ্র ভৱন।
কর্তব্যত ৰোৱা তুমি অবিচলিত মনে
মান দিব তোমাক সৰে প্রতিজনে জনে।
ফলৰ আশা এৰি তুমি কাম কৰি যোৱা
শ্রমৰ মহিমাৰে নিজকে জিনি লোৱা।
পৰিশ্রমেই হ'ব পাৰে জয়ৰ সঁচা চাবিকাঠি
তাতেই লুকাই থাকে সফলতাৰ
প্রতিটো ক্ষণ আৰু চানেকি।

শৰতৰ কবিতা

● গকুল চৌধুৰী, হাকামা, বিলাসীপাৰা, ধুবুৰী

আহিন মাহ আহিলে আহে
এই ঋতু
এই ঋতু আহিলে প্রকৃতি হয়
সেউজীয়া মাথোঁ সেউজীয়া।
এই ঋতু মহামিলনৰ ঋতু
এই ঋতু এজাক ৰ'দ, স্নিগ্ধ
জোনাক, শস্য সম্ভৰা পথাৰ
নির্মল বতাহ, দূৰৰি বনত
নিয়ৰ কণা, খৰিকাজোঁই
হাচনাহানাৰ সুবাস - সুগন্ধি
কঁহুৱা বন কিম্বা শুকুলা
মেঘৰ কতকথা।
এই ঋতু প্রেমৰ ঋতু
এই ঋতু শৰৎ আৰু শেৱালিৰ
যুগমীয়া প্রেমগাঁথা।



মহান আত্মা মৰমৰ জুবিন

● মহৎ চন্দ্র ৰায়, দুধনৈ, গোৱালপাৰা

মানৱতাৰ বৰগছজুপি
উভালি পৰিল সমুদ্রৰ
অতল তলীত আচম্বিতে
এজাক গধুৰ শীতল বতাহ
বৈ আছে পর্বত-পাহাৰ, হাবি-বন,
চহৰ-নগৰ, গাঁও-ভূঁই অতিক্রমি
সেই যে উভালি পৰিল
আজিলৈকে বৈয়েই আছে বতাহজাক
এটা উটুপনি
গহীন ৰাতিবোৰতো আনকি
খেদি ফুৰিবলৈ এৰা নাই
এক বিৰাট শূন্যতাই
মেৰিয়াই ৰাখিছে প্রতি পল-অনুপল
য'ত হাউলি পৰিছে সুখ
আৰু আনন্দৰ আপেলৰঙী পদ্য এটা
নিৰাশাৰ নৈখন
বৈয়েই আছে কলকলাই
সম্ভৱতঃ বৈয়েই থাকিব যুগ-যুগান্তৰলৈ
তেওঁ আছিল এটা গানৰ চৰাই
তেৱেঁই অবিনাশী সত্তা
আমাৰ প্রাণৰো প্রাণৰ শিল্পী
মহান আত্মা মৰমৰ জুবিন

শৰত

● মেৰী বৰদলৈ, নগাঁও, ফুলগুৰি

শুনিছোঁ শৰত আহিছে হেনো
মুখত এটি
মৃদু হাঁহি আঁৰি।
শুনিছোঁ শৰত আহিছে হেনো
লাহে লাহে
এখোজ দুখোজ
কৰি।
শুনিছোঁ শৰত আহিছে হেনো
এটি সুকোমল সুৰ
তুলি তুলি।
শুনিছোঁ শৰত আহিছে হেনো
বকুলপাহিক
হাতবাউলি দি।
শুনিছোঁ শৰত আহিছে হেনো
মনৰ মণিকাঞ্চনজোপাক
শীতল কৰিবলৈ
এসাগৰ সুবাস ঢালি!!



নোকোৱা কথাবোৰ

● দুর্ল্লভ সোণোৱাল, ডিব্রুগড়

নোকোৱা কথাবোৰে কেতিয়াবা
শব্দতকৈও বেছি কথা কয়-
ওঁঠৰ দুৰাৰত ৰৈ যোৱা
এটি নীৰৱ উশাহৰ দৰে।
ক'ব খুজিও কোৱা নহ'ল
কিমান যে কথা,
চকুৰ কোণত জমা হৈ ৰ'ল
অলেখ সপোনৰ ব্যথা।
কেতিয়াবা নীৰৱতাই
হয় অভিমানৰ ভাষা,
কেতিয়াবা এটি হাঁহিৰ আঁৰত
লুকাই থাকে অজস্র আশা।
যি কথাবোৰ কোৱা নহ'ল,
সেইবোৰেই হয়তো
স্মৃতিৰ পৃষ্ঠাত আটাইতকৈ
গভীৰ আখৰ হৈ ৰয়।
সময় গ'ল, ঋতু সলনি হ'ল,
বাটবোৰ হ'ল অচিনাকি-
তথাপি বুকুৰ কোনোবা কোণত
বাজি থাকে চিনাকি ৰাগিণী।
যদি কোনোবা দিন
নীৰৱতাৰো শব্দ শুনা যায়,
বুজিবা- মোৰ নোকোৱা কথাবোৰে
আজিও তোমাকেই বিচাৰি যায়।
কথা কোৱা নহ'ল বুলিয়েই
কথাবোৰ কেতিয়াও মৰি নাযায়;
কিছুমান অনুভৱ নোকোৱাকৈয়েই
জীৱনৰ শেষ পৃষ্ঠালৈ লিখি যায়।



তুমিয়েই কাঞ্চনজংঘা

● ড° ইকবাল হোচেইন খান

ত্যাগিলা জীৱন
হৃদয়ে হৃদয়ে কৰিলা আলিংগন
মিঠা মিঠা মানৱ-প্রেম
কেৱল আৰু কেৱল দিলা উপহাৰ
বিশালতাৰ অনুভৱী গান
গান আৰু গান মানৱতাৰ জয়গান।
সেইবাবেই তুমিয়েই ঈশ্বৰ পুত্র
একক আৰু অদ্বিতীয়
তোমাৰ যাদুকৰী কণ্ঠত বাজে
নৱ নৱ সুৰ
নৱ নৱ উপলব্ধি।
তুমিয়েই কাঞ্চনজংঘা
দিলা উপহাৰ নৱ্য মানৱসমাজ
য'ত নাই সংকীর্ণতা
য'ত নাই স্বার্থপৰতা
কেৱল আছে বিশাল মানৱীয় চেতনা।
হে ঈশ্বৰ পুত্র
তুমিয়েই বিশাল,
তুমিয়েই মহান,
তুমি মুক্ত
তুমি স্বাধীন, তুমি নতুন
তুমি একতাৰ মহানায়ক
তুমিয়েই কাঞ্চনজংঘা
তুমিয়েই ধ্বনি সুন্দৰৰ
তুমিয়েই সাম্যৰ সেনানী
তোমাৰনাইজাত-পাত হৃদয়ৰ কোমল মাত
তুমিয়েই জুবিন আই অসমীৰ উপলব্ধি।



আত্মকথনৰ আলমত

● কুইন বৰা, নগাঁও

এতিয়া আৰু তৰা-নৰা ছিঙি
অকণো লাভ নাই
গৈ থকা সময়বোৰে যেন
দূৰৰ পৰা উকিয়াই
তাকে কয়
হিচাপৰ দুনীয়াত
কিমান দিন- ৰাতি পাৰ কৰিলো
পেটৰ ভোকৰ অজুহাততে
দাঁতৰ কূট- কূটনি মাৰিবলৈ
জীৱশ্রেষ্ঠ হৈও
মঙহৰ গোন্ধ ললো
সকলোতে যেন বিনিময় আজি
বুকুৰ জুইকুৰা লৈ
সেই জুইতে পুৰি খালো
নিৰীহ জীৱকুলক
গমি- পিতি চাই তন্ময় হলো
পুৰি ছাই হোৱা অন্তৰখনেও
আকাশৰ নীলা এখামোচ নমাই আনি
সিক্ত হৃদয়ত
আকৌ এমুঠন ৰং সানি
জীয়াই তুলিবলৈ
মনৰ মহাশূন্যত
মাথোঁ অপেক্ষা কৰিলে।



নদী আৰু নাৰী

● বনজিত দাস, ৰিহাবাৰী, বজালী

নদী বয়...
নীৰবে কঢ়িয়াই নিয়ে
পর্বতৰ পৰা সমতললৈ
সময়ৰ অলেখ কথকতা।
নদীৰ বুকুত
লিখা হয় সভ্যতাৰ ইতিহাস
টোৰ ভাঁজে ভাঁজে
সাঁচ খায় মানুহৰ অস্তিত্ব।
আৰু নাৰী...
নীৰৱে সহে জীৱন ধুমুহা
নিজৰ বুকুত সাঁচি ৰাখে
এটা জাতিৰ অদেখা ভৱিষ্যত।
নদীয়ে যেনেকৈ
উর্বৰ কৰে দুপাৰৰ সেউজ মাটি
নাৰীৰ কোলাত তেনেকৈয়ে
ডাঙৰ-দীঘল হয়
এক এক প্রজন্মৰ সপোন।
নদী বয়....
সভ্যতা গঢ়ে,
নাৰীয়ে
সভ্যতাৰ ভেটি গঢ়ে।
সেয়ে নদী আৰু নাৰী
দুয়ো বৈ যায়,
দুয়ো সহি যায়,
আৰু দুয়োৰে বুকুতেই
লিখা থাকে
মানুহ হোৱাৰ ইতিহাস।



চামগুৰিৰ পিছত লাহৰীঘাটত নিৰ্বাচনী হিংসা ঃ আৰক্ষীৰ দ্বাৰা পৰিস্থিতি নিয়ন্ত্রণ

।। **বিশেষ সেৱা** ।। নগাঁও লোকসভা সমষ্টিৰ অন্তর্গত চামগুৰিত নির্বাচনী হিংসা ঘটনাৰ সংঘটিত হোৱাৰ পাছত অলপতে মৰিগাঁও জিলাৰ লাহৰীঘাট বিধানসভা সমষ্টিৰ গৰৈমাৰীতো সংঘটিত হয় এক নির্বাচনী হিংসাৰ ঘটনা। লাহৰীঘাট বিধানসভা সমষ্টিৰ গৰৈমাৰীত একাংশ বিজেপি সমর্থকে লাহৰীঘাটৰ বিধায়ক আছিফ নাজাৰৰ গাড়ী আবদ্ধ কৰি ৰখাক লৈ এক উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। পিছত মৰিগাঁও আৰক্ষীৰ উচ্চ পদস্থ বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্রণ কৰিব লগীয়া পৰে। উল্লেখ্য যে নির্বাচনী সভাত ব্যস্ত হৈ থকা লাহৰীঘাট বিধানসভা সমষ্টিৰ বিধায়ক আছিফ মহম্মদ নাজাৰে নির্বাচনী সভালৈ আহি থকাৰ সময়তে গৰৈমাৰীত একাংশ বিজেপি সমর্থকে বিধায়কজনক আৰদ্ধ কৰিবলৈ চেষ্টা চলাই। বিধায়কজনৰ গাড়ী সন্মুখলৈ গৈ একাংশ বিজেপি সমর্থকে আছিফ নাজাৰ গ'বেক ধ্বনি দি পৰিস্থিতি উত্তপ্ত কৰি তোলে। ইয়াৰ মাজতে বিজেপি কর্মীয়ে কংগ্রেছৰ বিধায়কজনক আবদ্ধ কৰাক কেন্দ্র কৰি কংগ্রেছ আৰু বিজেপি কর্মীৰ মাজত হতাহতি পর্যন্ত সৃষ্টি হয়। ঘটনাৰ খবৰ পাই মৰিগাঁও জ্যেষ্ঠ আৰক্ষী অধীক্ষকসহ এক উচ্চ পদস্থ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ বিধায়ক আছিফ নাজাৰক উদ্ধাৰ কৰাৰ লগতে পৰিস্থিতি নিয়ন্ত্রণ কৰিবলৈ সক্ষম হয়। নির্বাচনী হিংসাৰ এই ঘটনাক কেন্দ্র কৰি অঞ্চলজুৰি ব্যাপক প্রতিক্রিয়াৰ সৃষ্টি হয়।

শ্রীমন্ত শঙ্কৰদেৱ সংঘ কপিলী আঞ্চলিক শাখাৰ উদ্যোগত আয়োজিত মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ ৫৭৮ সংখ্যক আবির্ভাৱ মহোৎসৱৰ সামৰণি

।। **বিশেষ সেৱা** ।। মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ ৫৭৮ সংখ্যক আবির্ভাৱ মহোৎসৱত ভক্তি ৰসত বিলীন হ'ল ভকত সকল। সমগ্র অসমৰ লগতে শ্রীমন্ত শঙ্কৰদেৱ সংঘৰ মৰিগাঁও জিলা শাখাৰ অন্তর্গত কপিলী আঞ্চলিক শাখাই এইবেলি দুদিনীয়াকৈ আয়োজন কৰা বর্ণাঢ্য কার্যসূচীৰ মঙলবাৰে সামৰণি পৰে। পুৱা আঞ্চলিক সভাপতি মৃদুল ডেকাই পতাকা উত্তোলন কৰাৰ পিছতেই উলিওৱা ভাগৱত শোভাযাত্রাত বিভিন্ন প্রাথমিক শাখাৰ আই-বাপ আৰু সেৱাবাহিনীৰ সেৱক-সেৱিকা সকলে হৰি নাম কীর্তন কৰি সমগ্র অঞ্চল হৰি নামৰ ধ্বনিৰে মুখৰ কৰি তোলাৰ লগতে সকলোৱে ভক্তি ৰসত বিলীন হৈ পৰা পৰিলক্ষিত হয়। এখন সুসজ্জিত নৌকাত ভাগৱত স্থাপন কৰি প্রখৰ ৰ'দকো নেউচি শতাধিক আই-বাপে জাগীৰোডৰ সমীপৰ নৱহতীয়া অঞ্চলৰ প্রায় পাঁচ কিঃমিঃ পথেৰে খোজকাঢ়ি এই ভ্রমণত অংশ লয়। তাৰ পিছতে আইসকলৰ দ্বাৰা পৰিবেশন কৰা এটি বৰগীতেৰে ধর্মালোচনী আৰু মুকলি সভা মুকলি কৰে। আঞ্চলিক শাখাৰ সভাপতি মৃদুল ডেকাই সঞ্চালনা কৰা সভাখনৰ আদৰণি অনুষ্ঠানৰ আঁত ধৰে সম্পাদক যতীন ডেকাই। আদৰণি ভাষণ আগবঢ়াই আদৰণি সমিতিৰ সভাপতি নাৰায়ণ ভৰালীয়ে। যোগ ধর্মৰ বিষয়ত বক্তব্য ৰাখি সভাখন উদ্বোধন কৰে জিলা সাহিত্য শাখাৰ প্রাক্তন সভাপতি ৰন্টু মণি শইকীয়াই। মূলৰ সদস্যা বীনু কুমাৰী ডেকাই নির্দিষ্ট বক্তাৰ ভাষণ ৰাখি কয় যে আমি সদাই অসমৰ প্রাণ প্রতিষ্ঠাতা, এক শৰণ নাম ধর্মৰ প্রৱর্তক সর্বকালৰ সর্বশ্রেষ্ঠ মহাপুৰুষ জনাৰ আদর্শৰে বাঁট বুলাৰ আখৰাত ব্রতী থাকিব লাগিব। নিজৰ সদাই গুৰুৰ আদর্শ, শাস্ত্রৰ বাণী আৰু শাস্ত্রৰ উপদেশ লগত লৈ ফুৰিবলৈ যত্নপৰ হ'ব লাগিব। লগতে তেওঁ সুস্থ সমাজ গঠনৰ বাবে আইমাতৃ সকলৰ কৰণীয় অধিক বুলি কৈ শাস্ত্রৰ বাণীৰে অনুপ্রাণিত কৰে। সভাত চৰকাৰী গাঁও প্রধান খগেন মহন্ত, প্রাক্তন গাঁও প্রধান শুভ ডেকা, আঞ্চলিক শাখাৰ উপদেষ্টা লংকেশ্বৰ কলিতাই ভাষণ ৰাখি গুৰুজনাক স্মৰণ কৰে। আনহাতে কপিলী আঞ্চলিক শাখাৰ প্রাক্তন সম্পাদক অজিত বৰাই শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠান সফল কৰাত অৰিহণা যোগোৱা আটাইলৈকে আদৰণি কৃতজ্ঞতাৰ সেৱা জ্ঞাপন কৰে। আবেলি ৫ বজাত পতাকা অৱতৰণেৰে অনুষ্ঠানৰ সামৰণি পৰে।

আটছু মৰিগাঁও জিলাৰ সভাপতি দীপাংকৰ পাটৰক বহিস্কাৰ

।। **বিশেষ সেৱা** ।। সদৌ তিৰা ছাত্র সস্থা মৰিগাঁও জিলা সমিতিৰ সভাপতি দীপাংকৰ পাটৰক বহিস্কাৰ। সাধাৰণ সদস্য পদৰ পৰাও তাৎক্ষণিকভাৱে বহিস্কাৰ দীপাংকৰ পাটৰক। তৎকালে কার্যকৰী হোৱাকৈ এই সিদ্ধান্ত সদৌ তিৰা ছাত্র সস্থা কেন্দ্রীয় সমিতিৰ। সংগঠন বিৰোধী কার্যকলাপ আৰু সংগঠনৰ অফিচিয়েল লেটাৰহেড ব্যক্তিগতভাৱে ব্যৱহাৰ কৰাৰ অভিযোগ দীপাংকৰ পাটৰৰ বিৰুদ্ধে। কেন্দ্রীয় সমিতিৰ সভাপতি মুক্তি লালুঙে সংবাদ মাধ্যমক সদৰি কৰে এই কথা। তেওঁ কয় যে, কেন্দ্রীয় সমিতিৰ মুখ্য উপদেষ্টা ছেনিৰাম মালাং, উপদেষ্টা বাবুল বৰদলৈ, সাধাৰণ সম্পাদক ভৃগু বৰদলৈ আৰু বিত্ত সম্পাদক মহন্ত ছাগ্রাক লৈ এখন তদন্ত কমিটি গঠন কৰা হৈছিল। উক্ত কমিটিৰ প্রতিবেদন অনুসৰি এই সিদ্ধান্ত গ্রহণ কৰা হৈছে। জিলা সভাপতিজনে সংগঠনৰ অনুশাসন ভংগ কৰি কার্যনির্বাহ কৰাৰ বাবে আৰু তেওঁৰ স্পষ্টীকৰণত ভুল স্বীকাৰ কৰি ভৱিষ্যতে পুনৰাবৃত্তি নহয় বুলি প্রতিশ্রুতি দিলেও, সংগঠনৰ সুৰক্ষা আৰু শৃংখলা বর্তাই ৰখাৰ স্বার্থত সদৌ তিৰা ছাত্র সস্থাৰ সংবিধানৰ ৭ নং অনুচ্ছেদৰ (গ) নং দফা অনুসৰি মৰিগাঁও জিলা সমিতিৰ সভাপতি দীপাংক পাটৰক তাৎক্ষণিকভাৱে জিলা সমিতিৰ সাধাৰণ সদস্যপদৰ পৰা নিলম্বন কৰা হ'ল। আনহাতে মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদকৰ ওপৰতো একেধৰণৰ সংগঠন বিৰোধী আৰু বিচ্ছিন্নতাবাদী কার্যকলাপত জড়িত থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। যদি এই অভিযোগ সম্পূর্ণ সত্য বুলি প্রমাণিত হয়, তেন্তে সমগ্র মৰিগাঁও জিলা সমিতিখনে নৈতিক দায়িত্ব ল'ব লাগিব। সেই অনুসৰি, মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদকক তৎকালীনভাৱে এক কঠোৰ কাৰণ দর্শোৱা জাননী প্রেৰণ কৰা হ'ব আৰু তেওঁৰ উত্তৰ সন্তোষজনক নহ'লে জিলা সমিতিখনেই ভংগ কৰা হ'ব।



সাপ্তাহিক মৰিগাঁও ঃ স্বত্বাধিকাৰী, সম্পাদক আৰু প্রকাশক - শ্রীদময়ন্তী দেৱী, ওৰার্ড নং-৪, এম. বি. ৰোড, মৰিগাঁও নগৰ, পোঃ জিলা- মৰিগাঁও (অসম)। পিন- ৭৮২১০৫।
মুদ্রিত ঃ শ্রী অমিত জৈন, আৰ. কে. প্রিণ্টার্ছ, বেহাৰবাৰী, কামৰূপ (মেট্রো), গুৱাহাটী-৪০, অসম।
ফোন নং-(০৩৬৭৮) ২৪০১১২, ৯৪৩৫১-৬৪৫১১, ৯৯৫৪৬-৭০২১৯, ৯৮৫৯১-৩৬৫০১ |**e-mail:** saptahikmorigaon@gmail.com,jnath83@gmail.com, **bksarma98591@gmail.com.**
সম্পাদক ঃ দময়ন্তী দেৱী *সম্পাদনা উপদেষ্টা ঃ* বুদ্ধেশ্বৰ পেগু (অবৈ.) *মুখ্য সম্পাদক ঃ* জগদীশ চন্দ্র নাথ (অবৈতনিক) *কার্যবাহী সম্পাদক ঃ* জিতুমনি নাথ (অবৈ.)

Saptahik Morigaon : Owner, Editor & Publisher Sri Damayanti Devi, Ward No. 4, M.B. Road, Morigaon Town, P.O. & Dist.- Morigaon (Assam). PIN-782105.
Printed by : Sri Amit Jain, R. K. Printers, Beharari, Kamrup (M), Guwahati-40, Assam.
Ph. No. (03678) 240112, 94351-64511, 99546-70219, 98591-36501**:: e-mail:** saptahikmorigaon@gmail.com, jnath83@gmail.com, **bksarma98591@gmail.com.**
Editor - Damayanti Devi **Editing Advisor- Sri Budheswar Pegu (Hony.)** **Chief Editor - Jagadish Ch. Nath (Hony.)** **Executive Editor - Jitumoni Nath (Hony.)**